সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৮ বছৰৰ এক অবিৰত যাত্ৰা...

Govt. of Assam Approved

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙীলী বাৰ্ত্তা

২৮ বছৰ, ২৬ সংখ্যা, ১১ আহাৰ , ৰবিবাৰ, ১৪২৭ ভাস্কৰাব্দ, পঞ্জীয়ন নং ৫৩৮৮৩ / ৯৪

RNI No. 53883/94. GHY--781025. Vol. 28: Issue No. 26, Date Of Publication - 26 June 2022 Rs.10.00/-


## বান সাহায্য হিচাপে অসমক যিমান পুঁজিৰ প্ৰয়োজন কেন্দ্ৰই দিবলৈ সাজুঃ ড° হিমন্ত বিশ্ব শৰ্মা



ৰঙীলী বাৰ্ত্তাসেৱা- এন ডি এৰ ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী দ্ৰৌপদী মুৰ্মুৰ মনোনয়ন-পত্ৰ দাখিলৰ কালছোৱাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে হোৱা বাৰ্তালাপৰ পাছত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সাংবাদিকৰ আগত জনাই যে বান সাহায্য হিচাপে অসমক যিমান পুঁজিৰ প্ৰয়োজন, কেন্দ্ৰই দিবলৈ সাজু আছে। পিছে বান সাহায্য হিচাপে বিত্তীয় পেকেজৰ কোনো প্ৰয়োজন নাই বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মন্তব্য কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই দিল্লীত কয় যে বান সাহায্যৰ বাবে পেকেজ আমাক নালাগে। পেকেজ আমাক লাগিব পথ-দলং-মথাউৰি নিৰ্মাণৰ বাবে। পানী কৰিলেহে আমি গম পাম আমাক কিমান পুঁজি লাগে। 'পেকেজ' শব্দটোত থকা আপত্তিৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীজনৰ বক্তব্য-'পেকেজ' শব্দটোলৈ যাব নালাগে। আমাক যি লাগে, কেন্দ্ৰই দিবলৈ সাজু আছে। ইয়াৰ উপৰি প্ৰধানমন্ত্ৰীৰ সৈতে আন নিৰ্দিষ্ট কিছু বিষয়ত আলোচনা হোৱা বুলিও মুখ্যমন্ত্ৰীজনে সাংবাদিকক জানিবলৈ দিয়ে। আনহাতে, অসমৰ বান পৰিস্থিতিক লৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে টুইটাৰযোগে দিয়া বিবৃতিৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী গৰাকীৰ বক্তব্য-অসমৰ বান পৰিস্থিতিক লৈ প্ৰধানমন্ত্ৰী কিমান উদ্বিগ্ন, সেই কথা ইয়াৰ জৰিয়তে প্ৰতিফলিত হৈছে। ইপিনে প্ৰধানমন্ত্ৰীৰ নেতৃত্বত ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী হিচাপে দ্ৰৌপদী মুৰ্মুৰ মনোনয়ন-পত্ৰ দাখিল কৰিবলৈ যোৱা প্ৰতিনিধি দলটোত মুখ্যমন্ত্ৰী ড° শৰ্মাই অংশগ্ৰহণ কৰে। পাছত সাংবাদিকৰ আগত নিজৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰি তেওঁ কয় যে ভাৱী ৰাষ্ট্ৰপতি হিচাপে মুৰ্মুৰ আত্মপ্ৰকাশ অসমৰ বাবে এটা

( পাঁচ পৃষ্ঠাত চাওক)

## অসম সন্তান তপন ডেকা আইবিৰ সঞ্চালক হিচাপে নিযুক্তি



ৰঙীলী বাৰ্ত্তাসেৱা- অসম সন্তান তপন কুমাৰ ডেকাক ইন্টেলিজেন্স ব্যুৰ' (আই বি)ৰ পৰৱৰ্তী সঞ্চালকৰ দায়িত্ব প্ৰদান। হিমাচল প্ৰদেশ কেডাৰৰ আই পি এছ বিষয়া তপন কুমাৰ ডেকাক চোৰাংচোৱা সংস্থাটোৰ মুৰব্বী পদত নিয়োগ সন্দৰ্ভত নিযুক্তি বিষয়ক কেবিনেট কমিটীয়ে ইতিমধ্যে অনুমোদন জনাইছে। তাৰ পাছতে নিযুক্তি বিষয়ক কেবিনেট কমিটীৰ সচিবালয়ৰ তৰফৰ পৰা এই সন্দৰ্ভত আনুষ্ঠানিক নিৰ্দেশনা জাৰি কৰা হয়। উল্লেখ্য যে আই বিৰ বৰ্তমানৰ সঞ্চালক অৰবিন্দ কুমাৰে অহা ৩০ জুনত অৱসৰ গ্ৰহণ কৰিব। সম্প্ৰতি আই বিৰ বিশেষ সঞ্চালক পদত কৰ্মৰত ৫৯ বছৰীয়া ডেকাই অহা বছৰ অৱসৰ গ্ৰহণ কৰাৰ কথা আছিল। কিন্তু অল ইণ্ডিয়া ছাভিচেছ (ডেথ কাম ৰিটায়াৰমেণ্ট বেনিফিটছ) অধিনিয়মৰ জৰিয়তে তেওঁৰ চাকৰিৰ ম্যাদ এবছৰৰ বাবে বৃদ্ধি কৰা হৈছে বুলি নিৰ্দেশনাটোত উল্লেখ কৰা হৈছে। ১৯৮৮ চনত প্ৰথম প্ৰচেষ্টাতে আই পি এছ বিষয়া হিচাপে নিৰ্বাচিত হোৱা ডেকাই ১৯৯৮ চনত আই বিত যোগদান কৰিছিল। যোৱা বছৰ অতিৰিক্ত সঞ্চালক পদৰ পৰা বিশেষ সঞ্চালক হিচাপে তেওঁ পদোন্নতি লাভ কৰিছিল। ১৯৮৮ চনৰ হিমাচল প্ৰদেশ কেডাৰৰ আই পি এছ বিষয়া ডেকা ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত ডোভালৰ অতি ঘনিষ্ঠ বিষয়া হিচাপে পৰিচিত। কাশ্মীৰৰ উগ্ৰপন্থীবিৰোধী অভিযানত তেওঁৰ ভূমিকা আছিল অপৰিসীম। অসমতো তেওঁ চোৰাংচোৱা সংস্থাটোৰ শীৰ্ষ বিষয়া হিচাপে দায়িত্ব পালন কৰিছিল। আমেৰিকা যুক্তৰাষ্ট্ৰৰ বাশিংটনস্থিত ভাৰতীয় দূতাবাসৰ বিশেষ বিষয়া ৰূপেও দায়িত্ব পালন কৰিছিল তপন

( পাঁচ পৃষ্ঠাত চাওক)

### সম্পাদকীয়ঃ

## সাহিত্য অকাডেমীৰ অনুবাদ বঁটা



সাহিত্যৰ ভঁৰাল চহকী কৰিব পৰা অনুবাদ সাহিত্যই সাহিত্যৰ জগতখনলৈ সংগোপনে লৈ আহে এক সুখৰ বতৰা। অনুবাদ শব্দটোৰ ব্যুৎপত্তিগত অৰ্থ হ'ল এটা পাঠ আগত লৈ সেইমতে তাক অন্য ভাষাত কোৱা। 'saying after or again, repeating by way of explanation, explanatory repetition........translation' এই বিভিন্ন অৰ্থৰ ভিতৰত 'পুনৰাবৃত্তি'ৰ অৰ্থতহে অনুবাদ শব্দটো সাধাৰণতে গ্ৰহণ কৰা হৈছে।" আকৌ অনুবাদ মানে তৰ্জমা, ৰূপান্তৰ আৰু ভাঙনি বুলিও ক'ব পাৰি। পৃথিৱীৰ অনান্য ভাষা সমূহৰ তুলনাত দুখৰ বিষয় যে আমাৰ অসমীয়া ভাষাৰ ক্ষেত্ৰতহে অনুবাদৰ পৰিমান কম। শেহতীয়া কৈ পৰী হিলৈদাৰী, ইন্দিৰা বড়ো আৰু সঞ্জীৱ উপাধ্যায়ে অকাডেমীৰ অনুবাদ বঁটাৰে লৈ আহিল এক সুখৰ বতৰা। অসমীয়া, বড়ো আৰু নেপালী ভাষালৈ কৰা অনুবাদৰ বাবে তেওঁলোকক প্ৰদান কৰা হয় এই বঁটা। বিশিষ্ট সাহিত্যিক সমালোচক পৰী হিলৈদাৰীয়ে কৰা অসমীয়া ভাঙনি 'দাঁতিপাৰৰ মানুহ'ৰ বাবে তেখেতক ২০২১ চনৰ অনুবাদ সাহিত্য বঁটা প্ৰদান কৰা হ'ল। ঠিক সেইদৰে জয়ন্তী গগৈৰ অসমীয়া উপন্যাস 'হিড়িম্বা' বড়ো ভাষালৈ অনুবাদ কৰি বড়ো ভাষাৰ সাহিত্য অকাডেমীৰ সন্মান লাভ কৰিছে বড়ো ভাষাৰ সাহিত্যিক ইন্দিৰা বড়োৱে। আনহাতে বিশিষ্ট কথাশিল্পী হোমেন বৰগোহাঞিৰ বিখ্যাত উপন্যাস 'পিতা-পুত্ৰ' উপন্যাসৰ 'বাবু-ছোৰা' নামেৰে নেপালী অনুবাদৰ বাবে সঞ্জীৱ উপাধ্যায়ে লাভ কৰিছে ২০২১চনৰ সাহিত্য অকাডেমীৰ অনুবাদ বঁটা। সাহিত্য অকাডেমী অনুবাদ বঁটাত নগদ ৫০ হাজাৰ টকাৰ লগতে তাম্ৰপত্ৰৰে তেওঁলোকক প্ৰদান কৰা হয় এই সন্মান।সাহিত্য অকাডেমীৰ অনুবাদ সন্মান লাভ কৰা এইসকল মহান সাহিত্যিক সকললৈ ৰঙীলী বাৰ্ত্তাৰ তৰফৰ পৰা জনাইছো অশেষ অভিনন্দন।

## ২৭ জুনত ঘোষণা কৰা হ'ব উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ ফলাফল

ৰঙীলী বাৰ্ত্তাসেৱা- ২৭ জুনত ঘোষণা কৰা হ'ব উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ ফলাফল। সোমবাৰে পুৱা ৯ বজাত ঘোষণা কৰা হ'ব ফলাফল। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই কথা টুইটযোগে ঘোষণা কৰে।। এইকেইটা ৱেবছাইটত চাব পাৰিব ফলাফল-

sebaonline.org, resultsassam.nic.in

results.shiksha, , assamresult.in,

assamresult.co.in

# শিলচৰৰ বান পৰিস্থিতি পৰিদৰ্শন মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ

ৰঙিলী বাৰ্তাসেৱা- মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আকাশমাৰ্গেৰে শিলচৰকে ধৰি বৰাক উপত্যকাৰ প্ৰায়বোৰ অঞ্চলৰ বান পৰিস্থিতি পৰ্যবেক্ষণ কৰে। ইয়াৰ পাছতে কাছাৰৰ উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত বিভাগীয় বিষয়া আৰু বিধায়ক-সাংসদৰ সৈতে এখন বৈঠকত বান পৰিস্থিতি সন্দৰ্ভত পৰ্যালোচনা কৰে। বৰ্তমান পৰিস্থিতিৰ সৈতে কেনেদৰে মোকাবিলা কৰিব লাগে, সেই বিষয়ে তেওঁ বিতংভাৱে আলোচনা কৰে। বৈঠকখনত জিলা উপায়ুক্তগৰাকীয়ে সাম্প্ৰতিক বানত হোৱা ক্ষয়-ক্ষতি আৰু প্ৰশাসনে গ্ৰহণ কৰা ব্যৱস্থা সম্পৰ্কত মুখ্যমন্ত্ৰী ড° শৰ্মাক অৱগত কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই শিলচৰ চহৰৰ বান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি প্ৰতিটো ৱাৰ্ডতে উদ্ধাৰ আৰু সাহায্য বিতৰণ অভিযান তীব্ৰতৰ কৰি তুলিবলৈ নিৰ্দেশ দিয়াৰ লগতে প্ৰতিটো ৱাৰ্ডতে বানপীড়িত লোকসকলে যাতে উপযুক্ত সাহায্য লাভ কৰে, তাৰ বাবে ৱাৰ্ড পৰ্যায়ত আঁচনি প্ৰস্তুত কৰিবলৈ নিৰ্দেশ দিয়ে। এই আঁচনি স্থানীয় ৰাইজৰ সহযোগত ৰূপায়ণ কৰিবলৈও মুখ্যমন্ত্ৰী ড° শৰ্মাই নিৰ্দেশ দিয়ে। জিলাখনত যাতে প্ৰয়োজনীয় কোনো ধৰণৰ খাদ্য-সামগ্ৰীৰ নাটনি নহয়, সেই দিশত গুৰুত্ব আৰোপ কৰি



মুখ্যমন্ত্ৰী ড° শৰ্মাই বিমানৰ জৰিয়তে খাদ্য সৰবৰাহ কৰাৰ বাবে উচ্চপদস্থ বিষয়াসকলক নিৰ্দেশ দিয়ে। জিলাখনত প্ৰশাসনিক শক্তি বৃদ্ধি কৰি উদ্ধাৰ আৰু সাহায্য অভিযান সুচাৰুৰূপে পৰিচালনা কৰিবৰ বাবে দহগৰাকী প্ৰশাসনিক বিষয়াক কাছাৰ জিলালৈ আহিবলৈ নিৰ্দেশ দিয়া হৈছে। ইয়াৰ পাছতে সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে এইবাৰ শিলচৰত অভূতপূৰ্ব বানপানী হৈছে। শিলচৰৰ বান মানৱসৃষ্ট বান বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে বেটুকান্দিৰ মানুহে মথাউৰি ভাঙি দিয়াৰ বাবে বানপানী বেছি ভয়ানক হৈছে। সেইসকলৰ বিৰুদ্ধে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰাই নহয়, কঠোৰ ব্যৱস্থা লোৱা হ'ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে পাহাৰৰ পৰা পানী আহিলে আৰু মানুহে বান্ধ ভাঙি দিলে বান প্ৰতিৰোধৰ বাবে কি স্থায়ী ব্যৱস্থা ল'ব? বৰ্তমান শিলচৰত উদ্ধাৰ আৰু সাহায্য বিতৰণ অভিযানত এন ডি আৰ এফ, এছ ডি আৰ এফ, সেনাবাহিনীয়ে কাম কৰি আছে। কাইলৈৰ পৰা শিলচৰত অধিক সেনা জোৱান নিয়োজিত কৰা হ'ব, যাতে সাহায্য আৰু পুনৰ সংস্থাপনৰ কাম বেছিকৈ কৰিব পৰা যায়। সেইদৰে কাইলৈৰ পৰা শিলচৰত পানীৰ বটলকে ধৰি অন্যান্য প্ৰয়োজনীয় সামগ্ৰী আকাশমাৰ্গেৰে দিয়াৰ ব্যৱস্থা কৰাৰ বিষয়ে সদৰী কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে গুৱাহাটীৰ পৰা দৈনিক ৰ লাখ পানীৰ বটল অনাৰ চেষ্টা কৰা হৈছে। তদুপৰি শিলচৰতে পানী উৎপাদনৰ চাৰিটা মেচিনো অনা হ'ব। সেইদৰে চহৰখনৰ প্ৰতিটো প্ৰান্ততে বিদ্যুৎ উপলব্ধ কৰাৰ বাবে এ পি ডি চি এলৰ শীৰ্ষ বিষয়াসকলক তৎকালে যথোচিত পদক্ষেপ গ্ৰহণৰ নিৰ্দেশ দিয়াৰ বিষয়ে সদৰী কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে এ পি ডি চি এলৰ অভিযন্তাৰ দল এটা গুৱাহাটীৰ পৰা শিলচৰলৈ আহিব। মুখ্যমন্ত্ৰী ড° শৰ্মাৰ বান পৰ্যালোচনাৰ সময়ত পৰিবহণ মন্ত্ৰী পৰিমল শুক্লবৈদ্য, সাংসদ ডাঃ ৰাজদীপ ৰয়, বিধায়ক দীপায়ন চক্ৰৱৰ্তী, কৌশিক ৰয়, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ প্ৰধান সচিব অবিনাশ যোশী, কাছাৰৰ উপায়ুক্ত, আৰক্ষী অধীক্ষক, এন ডি আৰ এফ. এছ ডি আৰ এফৰ বিষয়া আৰু লিপা প্ৰশাসনৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

# কচুৱাত বানাক্ৰান্ত ৰাইজৰ জনপ্ৰতিনিধিৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত

ৰঙিলী বাৰ্তাসেৱা- কচুৱা অপৰিৱৰ্তীত বান পৰিস্থিতি। ইয়াৰ মাজতে এইবাৰ বানাক্ৰান্ত ৰাইজ জনপ্ৰতিনিধিৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে। কপিলী নদীৰ বাঢ়নী পানীৰে বিধ্বস্ত কৰা বানাক্ৰান্তৰ কাষত জনপ্ৰতিনিধিক নাপায় বিভিন্ন শ্লোগানেৰে এক প্ৰতিবাদ সাব্যস্ত কৰে। ৰহা সমষ্টিৰ বিধায়ক শশী কান্ত দাস, আৰু নগাঁও লোক সভা সমষ্টিৰ সাংসদ প্ৰদ্যুৎ বৰদলৈৰ বিৰোধে এক প্ৰতিবাদ সাব্যস্ত কৰে। নগাঁও জিলাৰ ৰহা সমষ্টিৰ অন্তৰ্গত কচুৱাৰ চিতলমাৰি গাঁওৰ বানাক্ৰান্তই বৰ্তমান লৈকে এখন দলংৰ ওপৰত শিবিৰ পাতি আশ্ৰয় লৈ আছে। যদিও আজি লৈকে কোনো জনপ্ৰতিনিধি কিম্বা প্ৰশাসনৰ লোক উপস্থিত হোৱা



নাই। যাৰ বাবে ক্ষোভিত হৈ পৰিছে বানত আক্ৰান্তসকল। উল্লেখ্য যে কচুৱাৰ চিতলমাৰিৰ বহু ঘৰ বৰ্তমানেও পানীৰ তলত সোমাই আছে। নিজৰ আপোন ঘৰ বাৰী এৰি এনেদৰে এখন দলংৰ ওপৰত শিবিৰ পাতি আশ্ৰয় লৈ থকা এই সকল বানাক্ৰান্ত লোকসকলৰ মাজত কেইবাগৰাকীও ৰোগীও আবদ্ধ হৈ আছে যদিও তেওঁ লোকৰ চিকিৎসাৰ কোনো ব্যৱস্থা কৰা নাই।

# কচুৱাত বনৰীয়া হাতীৰ উপদ্ৰৱ

ৰঙিলী বাৰ্তাসেৱা- কচুৱা অঞ্চলত বানৰ তাণ্ডৱ চলি থকাৰ সময়তে অব্যাহত আছে বনৰীয়া হাতীৰ উপদ্ৰৱ। নগাওঁ জিলাৰ কামপুৰ বন আঞ্চলিক বিষয়া কাৰ্যালয়ৰ অন্তৰ্গত জুৰিৰপাৰত যোৱা নিশা এটা প্ৰকাণ্ড হাতীয়ে অঞ্চলটোত উপদ্ৰৱ চলাই এটা বাসগৃহ ভাঙি লণ্ডভণ্ড কৰে। গাঁও খনৰ আব্দুল ছালাম নামৰ লোকজনৰ বাসগৃহত হাতীৰে প্ৰৱেশ কৰি বহু মুল্যবান সামগ্ৰী বিনষ্ট কৰাৰ লগতে এখন



মটৰ চাইকেলক ভাঙি চুৰমাৰ কৰে। লগতে ভৰাঁলৰ ধান খাই বিনষ্ট কৰে বুলি জানিব দিছে। ইপিনে ওৰে নিশা জুৰিৰপাৰ গাঁও খনৰ বিভিন্ন ঠাইত প্ৰকাণ্ড হাতীটোৱে উপদ্ৰৱ চলাই বুলি জানিব পৰা গৈছে।

# ঘৰলৈ লক্ষ্মী আহিছে, ঘুৰাই পঠিয়াব নাপায়ঃ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা

ৰঙিলী বাৰ্তাসেৱা- শিৱসেনাৰ বিদ্ৰোহী নেতা একনাথ সিন্দেৰ নেতৃত্বত মহাৰাষ্ট্ৰৰ ৪১ গৰাকী মন্ত্ৰী-বিধায়কে গুৱাহাটীত বাহৰ পাতিছে। শিৱসেনাৰ বিসম্বাদী মন্ত্ৰী-বিধায়কসকলে অসমৰ শাসনাধীস্থ বিজেপি দল আৰু চৰকাৰৰ আতিথ্যত গুৱাহাটীৰ তাৰকাযুক্ত হোটেল ৰেডিচ্চিন ব্লুত বাহৰ পাতিছে। যিসময়ত সমগ্ৰ দেশৰ ৰাজনীতিত চৰ্চাৰ কেন্দ্ৰবিন্দু হৈ পৰিছে গুৱাহাটী, সেই সময়তে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে এক আশ্চৰ্যকৰ মন্তব্য। সাংবাদিকে সোধা এক প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীয়ে কয় যে, "ঘৰলৈ লক্ষ্মী আহিছে। ঘৰলৈ অহা লক্ষ্মীক ঘুৰাই পঠিয়াব নাপায়। এই সময়ত অসমত কেউদিশে বান। গতিকে এনে সময়ত বেলেগ ৰাজ্যৰ পৰা কোনোবা আহি হোটেলত থকা মানে জি এছ টিৰ জৰিয়তে চৰকাৰে টেক্স পাব। এই সময়ত পইচা লাগে, তেওঁলোক অহা বাবে হোটেলে টকা পাব।



বানপানীৰ সময়ত মানুহ আহিছে, ভাল কথা। মই বিচাৰো আৰু মানুহ বিভিন্ন ৰাজ্যৰ পৰা বা বিদেশৰ পৰা অসমলৈ আহক। হোটেলত থাকক। বানপানীৰ এই জটিল সময়ত চৰকাৰৰ হাতলৈ অলপ ৰাজহ আহিব।"

# ২৫ জুনৰ পৰা ২৫ জুলাইলৈ হ'ব গৰম বন্ধ


ৰঙিলী বাৰ্তাসেৱা- ৰাজ্যৰ চৰকাৰী শিক্ষানুষ্ঠানখনসমূহৰ গৰম বন্ধ ঘোষণা কৰা হৈছে। বান পৰিস্থিতিৰ বাবে বিদ্যালয়সমূহৰ আগতীয়াকৈ গৰম বন্ধ ঘোষণা। ২৫ জুনৰ পৰা ২৫ জুলাইলৈ হ'ব গৰম বন্ধ। শিক্ষা মন্ত্ৰী ৰণোজ পেগুৱে ঘোষণা কৰিলে গৰম বন্ধ। উল্লেখযোগ্য যে, পূৰ্বতকৈ এইবাৰ আগুৱাই দিয়া হৈছে গৰম বন্ধ। ২৫



জুনৰ পৰা ২৫ জুলাইলৈকে ৰ মাহ গৰম বন্ধ পাব ছাত্ৰ-ছাত্ৰীয়ে। বান পানীৰ বাবে বহু শিক্ষানুষ্ঠান বন্ধ হৈ আছে। সেয়েহে এইবাৰ আগুৱাই দিয়া হৈছে গৰম বন্ধ।

# অসম চৰকাৰৰ ৫ বছৰীয়া প্ৰতিভূতি জমা (Security) ৰ নিলাম

ৰঙিলী বাৰ্তাসেৱা- অসম চৰকাৰে মুঠ প্ৰায় ৫০০ কোটি টকাৰ (প্ৰত্যক্ষ মূল্য)ৰ প্ৰতিভূতি জমা বিক্ৰীৰ বাবে আগবঢ়াইছে। অহা ২৮ জুন, ২০২২ তাৰিখ মঙলবাৰে বহু তৰপীয়া মূল্যৰ প্ৰ-পত্ৰৰ অধীনত এই মূল্য উদভূত নিলাম ভাৰতীয় ৰিজাৰ্ভ বেংকৰ 'ক' ৰ বেংকিং চলচন' (e-Kuber)ত অনুষ্ঠিত হ'ব। অধিক তথ্যৰ বাবে ৰিজাৰ্ভ বেংকৰ ৱেবচাইট www.rbi.org.inত



২৩ জুন, ২০২২তাৰিখে প্ৰকাশিত প্ৰেছ বিজ্ঞপ্তি চাব পাৰে।

# গড়চুকত ড্ৰাগছসহ এজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ

ৰঙিলী বাৰ্তাসেৱা- গড়চুক আৰক্ষীয়ে অভিযান চলাই বেটকুছিৰ পৰা ড্ৰাগছসহ মেহবুব আলম নামৰ এটা সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। ধৃত সৰবৰাহকাৰীটোৰ পৰা ৰবটা ড্ৰাগছভৰ্তি কণ্টেইনাৰ জব্দ কৰে। জব্দকৃত ড্ৰাগছখিনি হেৰ'ইন বুলি আৰক্ষীয়ে সন্দেহ প্ৰকাশ কৰিছে। ধৃত সৰবৰাহকাৰীটোৰ পৰা আৰক্ষীয়ে এএছ-০১ৰাই-০৪৭৭ নম্বৰৰ এখন স্কুটী, নগদ ১, ২৮০ টকা আৰু এটা ম'বাইল ফোন জব্দ কৰে।

# উপ-পৰিদৰ্শক সমুজ্জ্বল কাকতি, কনিষ্টবল ৰাজীৱ বৰদলৈক অসম আৰক্ষীৰ গভীৰ শ্ৰদ্ধাঞ্জলি

ৰঙিলী বাৰ্ত্তাসেৱা- বাঢ়নী পানীত উটি গৈ প্ৰাণ হেৰুৱালে কৰ্তব্যৰত দুই আৰক্ষীয়ে। নিশা এটা গোচৰৰ তদন্তৰ বাবে গৈছিল কামপুৰ আৰক্ষীৰ এটা তিনিজনীয়া দল। সেই সময়তে সংঘটিত হয় এই শোকাবহ ঘটনা। কৰ্তব্য সম্পাদন কৰিবলৈ গৈ যোৱা নিশা নগাঁও জিলাৰ কামপুৰ অঞ্চলত বানৰ কোবাল সোঁতত উটি গৈ দুৰ্ভাগ্যজনকভাৱে মৃত্যুক সাৱটি লোৱা কামপুৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া উপ পৰিদৰ্শক সমুজ্জ্বল কাকতি আৰু কনিষ্টবল ৰাজীৱ বৰদলৈৰ প্ৰতি অসম আৰক্ষীয়ে গভীৰ শ্ৰদ্ধাঞ্জলি নিবেদন কৰিছে। গুৱাহাটীৰ উলুবাৰীস্থিত অসম আৰক্ষীৰ মুখ্য কাৰ্য্যালয়ত অনুষ্ঠিত এক সভাত প্ৰয়াত কাকতি আৰু বৰদলৈৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি তেওঁলোকৰ প্ৰতিচ্ছবিত মাল্যাৰ্পন কৰাৰ লগতে দুয়োগৰাকীৰে বিদেহ আত্মাৰ সদ্গতিৰ বাবে দুই মিনিট সময় ভগৱানৰ ওচৰত মৌন প্ৰাৰ্থনা জনোৱা হয়। আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্ত, অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান (প্ৰশাসন) এম পি গুপ্তা, প্ৰশিক্ষণ আৰু সশস্ত্ৰ শাখাৰ আৰক্ষী মহা-পৰিদৰ্শক অনুৰাগ আগৰৱালাৰ উপৰিও আৰক্ষীৰ বিভিন্ন বৰ্গৰ বিষয়া, জোৱান আৰু কৰ্মচাৰীসকলে প্ৰয়াত কাকতি আৰু বৰদলৈৰ প্ৰতিচ্ছবিত মাল্যাৰ্পন কৰি দুয়োগৰাকী আৰক্ষীৰে শোকসন্তপ্ত পৰিয়ালবৰ্গৰ প্ৰতি আন্তৰিক সমবেদনা জ্ঞাপন কৰে। উল্লেখযোগ্য যে, উপ-পৰিদৰ্শক সমুজ্জ্বল কাকতি, জোৱান ৰাজীৱ বৰদললৈক শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলে সতীৰ্থ আৰক্ষী সকলে। চকুলো টুকি দুই সতীৰ্থক বিদায় দিলে নগাঁও আৰক্ষীয়ে। অকালতে আৰু আকস্মিকভাৱে মৃত্যুক সাৱটি লোৱা সমুজ্জ্বল কাকতি আৰু ৰাজীৱ বৰদলৈৰ ঘৰত এতিয়া কান্দোনৰ ৰোল উঠিছে। দুয়োখন ঘৰৰ লগতে সমগ্ৰ কামপুৰত এই ঘটনাই গভীৰ শোকৰ ছাঁ পেলাইছে। গুৱাহাটীৰ চাংসাৰিৰ সমুজ্জ্বল কাকতিয়ে মাত্ৰ ১ টা মাহ পূৰ্বে কামপুৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া হিচাপে যোগদান কৰিছিল। মাত্ৰ



১ টা মাহতে তেওঁ কামপুৰৰ বিভিন্ন লোকৰ মাজত আন্তৰিক সম্পৰ্ক গঢ়িবলৈ সক্ষম হৈছিল। অঞ্চলটোত নতুনকৈ যোৱাৰ বাবেই তেওঁ বাট-পথ ভালকৈ চিনি পোৱা নোপোৱাৰ বাবেই দেওবাৰে নিশা এই অঘটন সংঘটিত হ'বলৈ পালে বুলি স্থানীয় ৰাইজে অনুমান কৰিছে।

# এন ডি এৰ ৰাষ্ট্ৰপতি নিৰ্বাচনৰ প্ৰাৰ্থী দ্ৰৌপদী মুৰ্মুৰ মনোনয়ন দাখিল

ৰঙিলী বাৰ্ত্তাসেৱা- এন ডি এৰ ৰাষ্ট্ৰপতি নিৰ্বাচনৰ প্ৰাৰ্থী দ্ৰৌপদী মুৰ্মুয়ে সংসদ ভৱনত প্ৰধানমন্ত্ৰী মোদী, কেন্দ্ৰীয় কেবিনেট মন্ত্ৰী আৰু বিজেপি আৰু এন ডি এ শাসিত ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰীসকলৰ উপস্থিতিত ৰাষ্ট্ৰপতি পদৰ বাবে মনোনয়ন দাখিল কৰে। মনোনয়নৰ পূৰ্বে মুৰ্মুৱে সংসদত মহাত্মা গান্ধী, ড° বি আৰ আম্বেদকাৰ আৰু বিৰচা মুণ্ডাৰ প্ৰতিমূৰ্তিলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এন ডি এৰ ৰাষ্ট্ৰপতি নিৰ্বাচনৰ প্ৰাৰ্থী দ্ৰৌপাডি মুৰ্মুৰ দ্বাৰা মনোনয়ন দাখিলৰ পূৰ্বে




সংসদত উপস্থিত হৈছিল। উল্লেখযোগ্য যে, ঝাৰখণ্ড মুক্তি মৰ্চাই প্ৰাৰ্থীসকলক সমৰ্থন আগবঢ়োৱাৰ সিদ্ধান্ত ল'বলৈ কাইলৈ ইয়াৰ বিধায়ক আৰু সাংসদসকলৰ এখন বৈঠক আহ্বান কৰিছে। ইয়াৰ উপৰিও, নীতিশ কুমাৰৰ জনতা দল (ইউনাইটেড), উৰিষ্যাৰ মুখ্যমন্ত্ৰী তথা বিজেডিৰ সভাপতি নবীন পাটনায়কক ধৰি এন ডি এৰ অংশীদাৰ, জগন মোহন ৰেড্ডীৰ নেতৃত্বত ৱাইএছআৰ কংগ্ৰেছেও মুৰ্মুৰ প্ৰাৰ্থিত্বৰ প্ৰতি সমৰ্থন ঘোষণা কৰিছে।

# মুখ্যমন্ত্ৰীৰ নিৰ্দেশৰ পাছতেই কঠোৰ হৈছে শিক্ষা বিভাগ

ৰঙিলী বাৰ্ত্তাসেৱা- মেট্ৰিক পৰীক্ষাৰ ফলাফলত চৰকাৰী বিদ্যালয়ৰ শোচনীয় অৱস্থা পৰিলক্ষিত হোৱাৰ পাছতে কঠোৰ স্থিতি গ্ৰহণ শিক্ষা বিভাগৰ। শিক্ষকতাৰ লগতে এল আই চিৰ এজেণ্ট হিচাপে কাম কৰা শিক্ষকৰ বিৰুদ্ধে এইবাৰ কঠোৰ হৈছে শিক্ষা বিভাগ। শিক্ষকৰ চাকৰি কৰিও নিজৰ বা পৰিয়ালৰ সদস্যৰ নামত এজেণ্ট হৈ এল আই চিৰ পলিচী বিক্ৰী কৰি ফুৰা শিক্ষক-কৰ্মচাৰীৰ বিৰুদ্ধে ব্যৱস্থা ল'বলৈ ৰাজ্য চৰকাৰে ইতিমধ্যে জাননী জাৰি কৰিছে। এই জাননী জাৰি কৰাৰ কেইদিনমান পাছতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বীমাৰ পলিচী বিক্ৰী কৰি ফুৰা শিক্ষকক লক্ষ্য কৰি কেতবোৰ গুৰুত্বপূৰ্ণ মন্তব্য কৰিছিল। ইয়াৰ পাছতেই এতিয়া পৰ্যায়ক্ৰমে শিক্ষা বিভাগ তথা শিক্ষা মন্ত্ৰী ৰণোজ পেগুৱে শিক্ষকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে। উল্লেখযোগ্য যে, এল আই চিৰ এজেণ্ট হিচাপে কৰ্মৰত ৰৰগৰাকী শিক্ষকক চিনাক্ত কৰা হৈছে। ১১গৰাকী শিক্ষকলৈ কাৰণ দৰ্শোৱাৰ জাননী মাধ্যমিক শিক্ষা সঞ্চালকৰ।কৰ্তব্যত গাফিলতিৰ অভিযোগত ৰৰ শিক্ষকৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ প্ৰস্তুতি শিক্ষা বিভাগৰ।দুগৰাকী শিক্ষক কামৰূপ জিলাৰ, ৯ গৰাকী শিক্ষক বাক্সাৰ। দুখন জিলাৰ বিদ্যালয় পৰিদৰ্শকৰ জৰিয়তে কাৰণ দৰ্শোৱাৰ জাননী প্ৰেৰণ কৰা হৈছে। আটাইকেইগৰাকী শিক্ষকৰে প্ৰাৰম্ভিক শুনানি সম্পন্ন। শিক্ষা বিভাগৰ শুনানিত লিখিতভাৱে ক্ষমা ভিক্ষা ১১ গৰাকী শিক্ষকৰ। ক্ষমা পত্ৰকো অভিযোগৰ তথ্য-প্ৰমাণ হিচাপে গণ্য শিক্ষা বিভাগৰ।

# পশ্চিমবংগৰ অম্বুবাচী মেলালৈ পৰা অহা ভক্তৰ দেহত ধৰা পৰিছে ক'ভিড

ৰঙিলী বাৰ্ত্তাসেৱা- মহামিলনৰ তীৰ্থত পৰিণত নীলাচল। ২২ জুনৰ পৰা আৰম্ভ হোৱা অম্বুবাচী মেলালৈ হাজাৰ হাজাৰ তীৰ্থযাত্ৰীৰ আগমণ ঘটিছে। শক্তিপীঠ কামাখ্যাত দেশৰ বিভিন্ন প্ৰান্তৰ সাধু-সন্ন্যাসীয়ে ভিৰ কৰিছে। কিন্তু অম্বুবাচীলৈ অহা ভক্তৰ দেহত ধৰা পৰিছে ক'ভিড প'জিটিভ। পশ্চিমবংগৰ পৰা অহা ভক্তৰ দেহত ধৰা পৰিছে ক'ভিড।কামাখ্যাৰ চৌহদত ক'ভিড টেষ্ট কৰা হৈছিল লোকজনক। সেই পৰীক্ষাতেই ব্যক্তিগৰাকীৰ দেহত কভিডৰ উপস্থিতি ধৰা পৰে। পশ্চিম বংগৰ পৰা অহা তীৰ্থযাত্ৰীজনক জি এম চি এইচত ভৰ্তি কৰোৱা হৈছে। যাৰ বাবে মন্দিৰ প্ৰশাসন আৰু মন্দিৰ কৰ্তৃপক্ষই মেলাৰ সময়ত কিছু



নিষেধাজ্ঞা আৰোপ কৰিছে যাতে কভিড-১৯ৰ ক্ষেত্ৰত সংক্ৰমণ বৃদ্ধি নহয়। উল্লেখযোগ্য যে, ভাৰতত পুনৰ বৃদ্ধি হৈছে কৰ'নাত আক্ৰান্তৰ সংখ্যা।

# মহাৰাষ্ট্ৰত চৰকাৰ ভঙা-পতাৰ নামত গুৱাহাটীত বিলাস

ৰঙিলী বাৰ্ত্তাসেৱা- মহাৰাষ্ট্ৰত চৰকাৰ ভঙা-পতাৰ নামত গুৱাহাটীৰ ৰেডিশ্বন ব্লুত বিলাস। মহাৰাষ্ট্ৰৰ বিদ্ৰোহী বিধায়কসকলৰ বাবে গুৱাহাটীৰ ৰেডিছন ব্লুত কোটিটকীয়া ৰাজআতিথ্য। ৰেডিশ্বন ব্লুৰ এক উচ্চস্তৰীয় সূত্ৰই সদৰি কৰা অনুসৰি ৭ দিনৰ বাবে মহাৰাষ্ট্ৰৰ বিসম্বাদী বিধায়কসকলৰ বাবে আগতীয়াকৈ বুকিং কৰি থোৱা হৈছিল হোটেল ৰেডিশ্বন ব্লুৰ ৭০টা কোঠা। হোটেল ৰেডিশ্বন ব্লুৰ এই কোঠাকেইটাৰ বাবে হোটেল কৰ্তৃপক্ষক দিব লাগিব ৫৬ লাখ টকা। প্ৰতিদিনে বিধায়কসকলৰ খোৱাৰ বাবদ ব্যয় হৈছে ৮ লাখকৈ টকা। অন্যান্য শিতানত ব্যয়ৰ বাবে সাজু কৰি ৰখা হৈছে আন ১০ লাখ টকা। সেই হিচাপত মহাৰাষ্ট্ৰৰ বিসম্বাদী বিধায়কসকলক হোটেল ৰেডিশ্বন ব্লুত ৰখাৰ বাবদ ৭ দিনত সৰ্বমুঠ খৰচ হ'ব প্ৰায় ১ কোটি ১২ লাখ টকা। এই ব্যয় আৰু বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। লগতে আছে ছাৰ্টাৰ্ড ফ্লাইট, গাড়ীৰ খৰচ। মহানগৰৰ আৰক্ষী আয়ুক্ত হৰমিত সিঙে তদাৰক কৰিছে নিৰাপত্তা ব্যৱস্থা। যাৰ পৰিপ্ৰেক্ষিতত বিলাসী হোটেলখন অসম আৰক্ষীৰ তদাৰকত আছে। উল্লেখযোগ্য যে, ৰাজ্যত প্ৰবল বানপানীয়ে তাণ্ডৱৰ সৃষ্টি কৰাৰ সময়তে মহাৰাষ্ট্ৰত চৰকাৰ ভঙা-পতাক লৈ ইমান বৃহৎ সংখ্যক ধন ব্যয়ক লৈ সচেতন লোকৰ চকু কপালত উঠিছে।

# বান সাহায্য পাবলৈও দিব লাগে ধন

ৰঙিলী বাৰ্ত্তাসেৱা- বান সাহায্যৰ নামতো দুৰ্নীতি ৰাজ্যত। বন্যাৰ্তলৈ দিয়া সাহায্যৰ নামত লুণ্ঠন। বান সাহায্য পাবলৈও দিব লাগে ধন। ৩০ টকা দিয়ক আৰু বান সাহায্য লওক। মুখ্যমন্ত্ৰীৰ নিৰ্দেশৰ পাছতো কামপুৰত ঘটিছে এই ঘটনা। ভুক্তভোগী ৰাইজে সংবাদ মাধ্যমৰ ওচৰত সদৰি কৰিছে এই কথা। কামপুৰৰ বাহাকাৰীত ৩০ টকাৰ বিনিময়ত বানাক্ৰান্তক যোগান ধৰিছে বান সাহায্য। উল্লেখযোগ্য যে, গাওবুঢ়াই বানসাহায্যৰ নামত সংগ্ৰহ কৰিছে ধন। কিন্তু ৰাইজৰ অভিযোগৰ পাছতো কোনো খবৰ নাই ৰহাৰ বিধায়ক শশীকান্ত দাসৰ। সেইবাবে এতিয়া সাধাৰণ ৰাইজে প্ৰশ্ন কৰিছে যে, মুখ্যমন্ত্ৰী গ'লেহে অথবা নিৰ্দেশ দিলেহে তৎপৰ হৈ পৰে নেকি প্ৰশাসন? ইফালে এই অভিযোগৰ পাছতেই নগাঁও জিলা উপায়ুক্তই চক্ৰ বিষয়ালৈ প্ৰেৰণ কৰিলে কঠোৰ নিৰ্দেশ। বানসাহায্যৰ নামত বন্যাতৰ পৰা সংগ্ৰহ কৰিব নোৱাৰিব টকা।

১১ আহাৰ ১৪২৭ চন Rongili Barta, Date of Publication-- 26 June, 2022

# বেতৰ প্ৰহাৰৰ পৰা ৰক্ষা পাবলৈ এখন পত্ৰ লৈ যোৱাৰ কথা মনত পৰি হাঁহি উঠিছে

**নিখিলৰঞ্জন গোস্বামী, মৰিগাঁও**

স্মৃতি মনৰ দাপোন, য'ত ভাশ্বত হৈ উঠে এৰি অহা দিনবোৰ, খোজবোৰ, সময়বোৰ। স্মৃতিৰ সৈতে জীৱনৰ সম্পৰ্ক ইমান ব্যাপক আৰু ইমান নিবিড় যে অতীত স্মৃতিয়ে জীৱনক জীপাল কৰিও তোলে আৰু বৰ্তমান জীৱনৰ বাবে অতীত স্মৃতি শিক্ষণীয় হৈয়ো পৰে। এনেবোৰ কাৰণতে জীৱনৰ সৈতে স্মৃতি, বাস্তৱ আৰু বিভ্ৰম এই তিনিটাৰ মাজৰ সম্পৰ্ক এৰাব নোৱাৰা। আকৌ সময়, অতি নিৰপেক্ষ এক প্ৰবাহ। সময়ৰ চলমান সোঁতত যি যিহকে পেলাই দিয়ে, নৈৰ সোঁতৰ দৰে উটুৱাই নিয়ে। পাৰ্থক্য মাথোন ইমানেই যে নদীৰ সোঁতত উটি যোৱা বস্তু উটি গুচি যায়, কিন্তু সময়ৰ সোঁতত উটি যোৱা আমাৰ কৰ্মই আমাৰ জীৱনৰ ৰং আৰু ৰূপটো গঢ়ি তোলে। আমি যদি বেয়া কাম কৰোঁ তেনেহ'লে সেই অসৎ কৰ্ম কৰা সময়খিনিয়ে আমাক দিব গৰল আৰু যদি ভাল কাম কৰোঁ তেনেহ'লে ভাল কাম কৰা সময়খিনিয়ে আমাক দিব অমৃত ("জীৱন কলা" নামৰ গ্ৰন্থখনৰ "সময় গৰল আৰু অমৃত "মনাৰ প্ৰবন্ধতোৰ পৰা মূল্যৱান কথাখিনি লোৱা হৈছে, লেখক ড° প্ৰহ্লাদ কুমাৰ বৰুৱা)।

এতিয়া আঁহো অতীতলৈ মনটো ঢাপলি মেলাৰ মূল প্ৰসংগলৈ । ভাৰতৰ মাননীয় গৃহমন্ত্ৰী অমিত শ্বাহ দেৱে "এক দেশ-এক ভাষা" ৰ নীতি উত্তৰ পূৰ্বাঞ্চলত প্ৰয়োগ কৰাৰ কাৰণে চিন্তা-চৰ্চা কৰাৰ কথা ঘোষণা কৰাৰ পিছতেই সকলোৱে ইয়াৰ বিৰোধিতা কৰাতো পৰিলক্ষিত হৈছে। ভাষা শিকাত আপত্তি কাৰো নাই। হিন্দী ৰাষ্ট্ৰীয় ভাষা হিচাপে স্বীকৃতি পোৱাত ভাষাতো শিকা, সন্মান কৰাৰ আমি পক্ষপাতী কিন্তু বিৰোধিতা কৰাৰ মূখ্য কাৰণ গৃহমন্ত্ৰী গৰাকীয়ে অন্যান্য আঞ্চলিক, জনজাতীয় ভাষাসমূহ গুৰুত্বহীন কৰিব বিচৰা মানসিকতা।

আমি পঢ়াৰ সময়ত সপ্তমমান শ্ৰেণীলৈকে হিন্দী বিষয়তো বাধ্যতামূলকে আছিল । হাইস্কুলৰ পৰাহে ছাত্ৰ-ছাত্ৰীয়ে সলাব পাৰিছিল সংস্কৃত, হিন্দী, আৰু বুৰঞ্জী ইত্যাদি বিষয়কেইটা। উল্লেখযোগ্য মই অষ্টমমান শ্ৰেণীলৈ উত্তীৰ্ণ হোৱাৰ পিছত হাঁহি মুখে নিজৰ ৰুচি অনুসাৰে বুৰঞ্জী বিষয়তো বাচি লওঁ।

সপ্তমমান শ্ৰেণীত পঢ়ি থাকোঁতে এদিন আমাৰ প্ৰথম পিৰিয়দতে



হিন্দী বিষয়তো আছিল। শিক্ষক আছিল মাননীয় শ্ৰীযুত লাহেশ্বৰ নাথ ছাৰ, (পিছলৈ কপাহেৰা বিদ্যালয়ৰেই অধ্যক্ষ পদত কাৰ্যনিৰ্বাহ কৰি অৱসৰ গ্ৰহণ কৰিছে) সেইদিনা ঘৰুৱাহী কামত ব্যস্ত থকাৰ কাৰণে পাঠৰ মুখস্থ দিব নোৱাৰাৰ ভয়ত (হিন্দীত সঁচা অৰ্থত মই বৰ দুৰ্ব্বল আছিলো) স্কুললৈ নেযাওঁ বুলি বৌৰ ওচৰত কথাতো ক'লে। বৌৱে নিজে একো সিদ্ধান্ত দিব নোৱাৰি আমাৰ দাদাক কথাতো জনালেগৈ। দাদাই শুনাৰ পিছত মোক মাতি আনি ক'লে- তই এটা ক্লাছৰ কাৰণে স্কুলখন ক্ষতি কৰিবিনে? তাৰ পিছত শিক্ষক কোন সুধিলে। মই ছাৰৰ নাম লোৱাত দাদাই কাগজ এখনে কলম এটাই আনিব ক'লে, মই উদাত্ত মনেৰে কাগজ- কলম আনি দিলোহি। দাদাই চাৰি শাৰীৰ ধুনীয়া আখৰেৰে চিঠিখন লিখি মোৰ হাতত দি ক'লে- "ছাৰক এইখন দি দিবি, তোৰ একো নহয় নেমাৰে। উল্লেখ কৰা ভাল হ'ব আমাৰ দাদাই সেই বিদ্যালয়ৰ প্ৰতিষ্ঠা কালৰ শিক্ষক আছিল। ১০ বছৰৰ পিছত তাৰ পৰা আমাৰ পিতৃৰ পষ্ঠত চাকৰি পাই বাৰ পুজীয়ালৈ, গ'লগৈ, ঘৰৰ পৰা ৩ কিঃমিঃ দূৰত্বত অৱস্থিত বাৰপুজীয়া, তেওঁ ইয়াত ভূগোল আৰু বুৰঞ্জীৰ শিক্ষক। তাৰ পিছত চিঠিখন হাতত লৈ কোবা-কোবিকৈ পঢ়াশালীলৈ ৰাওণা হ'লো । ভয়-শংকা মনত আছিল কিন্তু।

লাহেশ্বৰ নাথ ছাৰে যথা সময়ত হাজিৰা বহীখনৰ মাজত বেতডাল সুমুৱাই লৈ শ্ৰেণীকোঠাত প্ৰবেশ কৰিলে। হাজিৰা কৰাৰ পিছত মুখস্থ দিয়াৰ পৰ্ব আৰম্ভ হ'ল। মই প্ৰথম বেঞ্চৰ চাৰিনম্বৰত। প্ৰথম দুজনে সু-স্পষ্ট ভাৱে মুখস্থ দিব নোৱাৰাত বেতৰ কোব খাইছে, (তিনিকোৱ ) তৃতীয়জনে পাৰিলে তেওঁৰ নাম আছিল প্ৰভাৱ চন্দ্ৰ ফুকন। এতিয়া তেওঁ উচ্চ পৰ্যায়ৰ বিষয়া মোৰ হৃয়প্ৰিয় বন্ধু, সঘনাই আমাৰ লগালগি হৈ থাকে। অতীতৰ স্মৃতি ৰোমন্থন কৰো হয়া উজাৰি। যাহওঁক ৪ৰ্থত মোৰ পাল পৰাত মই চিঠিখন উলিয়াই দিয়াত ছাৰে পঢ়ি হাঁহি এটা মাৰি মোক বহিবলৈ ক'লে। মই সেই দিনা মহাবিপদৰ পৰা ৰক্ষা পৰিলো।

উল্লেখ কৰা ভাল হ'ব, এই বিষয়তোক লৈ বিতৰ্ক চলি থকাৰ মাজতে আমাৰ অসমৰ বিচক্ষণ, কাৰ্যক্ষম তথা সমাজহিতৈষী, জনপ্ৰিয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাদেৱে কৈছিল- হিন্দী ভাষা নজনাৰ কাৰণে ভালদৰে নিশিকাৰ কাৰণে দিল্লীলৈ গ'লে বহু সময়ত মইও বহুত অসুবিধাত পৰিব লগা হওঁ। তেখেতৰ গুৰুত্বপূৰ্ণ, সময়োপযোগী মন্তব্যক মই ব্যক্তিগতভাৱে সমৰ্থন কৰোঁ। কিয়নো অসম আন্দোলন কৰি থকাৰ মাজতে ১৯৮৫ চনত কলেজ এৰি সামৰিক বাহিনীত নিযুক্ত হওঁ। তাত বুধবাৰে কাৰ্যালয়ৰ কাম- কাজ সমূহ

*(আঠপৃষ্ঠাত চাওক)*

# সাম্প্ৰতিক সময়ত বিশ্ব নবী হজৰত মোহাম্মদ ছঃৰ আদৰ্শৰ প্ৰয়োজনীয়তা

**ফখৰুদ্দিন আহমেদ, ছিপাঝাৰ**

বিশ্ব নবী ছঃ ৰ যিটো সময়ত আৰবৰ মক্কা চহৰত জন্ম হৈছিল সেই সময় আৰবৰ বাবে আছে বৰ্বৰতাৰ যুগ। এনে বৰ্বৰতাক নাশ কৰি বিশ্ব নবী হজৰত মোহাম্মদ ছঃ য়ে সমগ্ৰ বিশ্ববাসীৰ সমুখত আৰব জাতিক সুসভ্য, জ্ঞানী আৰু পৰোপকাৰী ৰূপত প্ৰতিষ্ঠিত কৰি তুলিবলৈ সক্ষম হৈছিল। তেখেত ছঃৰ বাবে এই সফলতা বৰ সহজ সাধ্য নাছিল। এই সফলতাৰ বাবে তেখত ছঃয়ে বিভিন্ন সময়ত শাৰীৰিক, মানসিক, সামাজিক আৰু ৰাজনৈতিক ভাবে নিৰ্যাতনৰ সমূখীন হ'বলগা হৈছিল। এই সকলোবোৰ বাধাৰ প্ৰাচীৰ অতিক্ৰম কৰি যোৱাৰ ক্ষেত্ৰত তেখেত ছঃৰ হাতত থকা অস্ত্ৰ দুপাত আছিল ক্ষমা আৰু ধৈৰ্য। ইয়াৰ কাৰণ আছিল আল্লাহ পাকে বিশ্ব নবী ছঃক পবিত্ৰ কোৰানত বিশ্ববাসীৰ বাবে দয়া আৰু কৰুণাৰ মূৰ্ত প্ৰতীক হিচাপে প্ৰেৰণ কৰা বুলি ঘোষণা কৰিছে।



সাম্প্ৰতিক সময়ত ভাৰতবৰ্ষকে ধৰি বিশ্বৰ কিছু সংখ্যক দেশৰ কিছুমান তথাকথিত ৰাজনীতিক, সাহিত্যিক, কাৰ্টুনিষ্ট আৰু দাৰ্শনিকে বিশ্ব নবী হজৰত মোহাম্মদ ছঃ সম্পৰ্কত মুকলি ভাবে কটু আৰু বিৰূপ মন্তব্য কৰি অহা দেখা গৈছে। শেহতীয়া ভাবে কোনো এটি ৰাষ্ট্ৰীয় নিউজ চেনেলৰ টক শ্বত সদ্য বহিষ্কৃত বি জে পিৰ ৰাষ্ট্ৰীয় মুখপাত্ৰ নুপুৰ শৰ্মাই বিশ্ব নবী ছঃৰ দ্বিতীয় গৰাকী মনোৰমা পত্নী হজৰত আয়িশ্বা চিদ্দিকা ৰাঃ ৰ সৈতে হোৱা বিবাহৰ বয়সক লৈ কৰা অশ্ৰাব্য বক্তব্য আৰু দিল্লীৰ বি জে পিৰ বহিস্কৃত নেতা নবীন জিন্দালৰ বক্তব্যই কেৱল ভাৰতবৰ্ষতেই নহয় সমগ্ৰ বিশ্ব বিশেষকৈ বিশ্বত থকা ইছলামিক ৰাষ্ট্ৰ সমুহত তুমুল বিতৰ্কৰ লগতে আলোড়নৰ সৃষ্টি কৰিছে আৰু ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত সেই বক্তব্যৰ প্ৰতিবাদে হিংসাত্মক ৰূপ লোৱাও পৰিলক্ষিত হৈছে। এই বিষয় সমূহ পৰ্যালোচনা কৰিবলৈ গৈ দৃষ্টি নিবদ্ধ কৰিব লাগিব বিশ্ব নবী হজৰত মোহাম্মদ ছঃৰ জীৱনাদৰ্শৰ ওপৰত।

হজৰত আয়িশ্বা চিদ্দিকা ৰাঃ আছিল বিশ্ব নবী ছঃৰ দ্বিতীয় গৰাকী মনোৰমা পত্নী। সাম্প্ৰদায়িকতাবাদক উচতনি দিবলৈ যিবোৰ তথাকথিত নিউজ চেনেলে এই টক শ্ব সমূহ অনুষ্ঠিত কৰে তেওঁলোকে কিন্তু কোনো দিনেই বিশ্ব নবী ছঃৰ মনোৰমা প্ৰথমা পত্নী হজৰত খাদিজা ৰাঃৰ জীৱনৰ ওপৰত আলোকপাত নকৰে। কাৰণ হ'ল এই সম্পৰ্কত আলোকপাত কৰিলে বিশ্বৰ এটি বিৰল আদৰ্শৰ ওপৰত আলোচনা কৰা হ'ব, তেওঁলোকৰ ঘৃননীয় মানসিকতাৰ দ্বাৰা পূৰ্ব পৰিকল্পিত সাম্প্ৰদায়িকতাবাদৰ বিষ বাষ্প বিয়পোৱাৰ কোনো সুযোগেই নাথাকিব।

বিশ্ব নবী হজৰত মোহাম্মদ ছঃয়ে ২৫ বছৰ বয়সত তেখেত ছঃ তকৈ ১৫ বছৰে ডাঙৰ ৪০ বছৰ বয়সৰ, বিধবা হজৰত খাদিজা ৰাঃ ক বিবাহ কৰাইছিল। দুয়ো গৰাকী মহান ব্যক্তিত্বৰ বিবাহিত জীৱন কিমান সুখী আছিল তাক অনুমান কৰিব পাৰি ইয়াৰ দ্বাৰা যে মনোৰমা প্ৰথমা পত্নী হজৰত খাদিজা ৰাঃ জীয়াই থকা লৈকে তেখেত ছঃ য়ে দ্বিতীয় বিবাহ পাশত আবদ্ধ হোৱা নাছিল। পিছৰ কালত বিশ্ব নবী হজৰত মোহাম্মদ ছঃ য়ে হজৰত খাদিজা ৰাঃ ৰ সৈতে কটোৱা বৈবাহিক কালছোৱাক সৰ্বোত্তম বুলিও আখ্যায়িত কৰিছিল।

বিশ্ব নবী হজৰত মোহাম্মদ ছঃৰ দ্বিতীয় বিবাহ হজৰত আয়িশ্বা ৰাঃৰ সৈতে সমাপন হৈছিল। এই বিবাহৰ সময়ত হজৰত আয়িশ্বা ৰাঃৰ বয়স সম্পৰ্কত মতভেদ পৰিলক্ষিত হয়। ইছলামিক ইতিহাসবিদ সকলৰ মতে হজৰত আয়িশ্বা ৰাঃ তেখেতৰ বায়েক হজৰত আছমা ৰাঃতকৈ ১০ বছৰে সৰু আছিল। ইতিহাস মতে হজৰত আছমা ৰাঃৰ জন্ম হৈছিল ৫৯৫ খ্ৰীষ্টাব্দত আৰু হজৰত আয়িশ্বা ৰাঃৰ জন্ম হৈছিল ৬০৫ খ্ৰীষ্টাব্দত। বিশ্ব নবী হজৰত মোহাম্মদ ছঃ য়ে হজৰত আয়িশ্বা ৰাঃ ক বিবাহ কৰাইছিল ৬২৩ খ্ৰীষ্টাব্দত। এই মৰ্মে বিবাহৰ সময়ত হজৰত আয়িশ্বা ৰাঃৰ বয়স আছিল প্ৰায় ১৮ বছৰ।একেদৰেই আন এচাম ইছলামিক ধৰ্মতত্ববিদে বিশ্ব নবী হজৰত মোহাম্মদ ছঃ ৰ লগত হজৰত আয়িশ্বা ৰাঃৰ ছয় বছৰ বয়সত নিকাহ আৰু ন বছৰ বয়সত সংসাৰ যাপন আৰম্ভ কৰে বুলিও মত প্ৰকাশ কৰে। এই দুটা মতৰ ভিতৰত এচাম ইছলাম ধৰ্ম

*(আঠপৃষ্ঠাত চাওক)*

# কচুৱাৰ বানপৰিস্থিতি আৰু ভয়ানক



ৰঙিলী বাৰ্ত্তাসেৱা- কচুৱাৰ সৰ্বত্ৰে কেৱল পানী। সাগৰ সদৃশ পৰিবেশৰ মাজতে বন্যাৰ্তৰ আশ্ৰয় শিবিৰ সমূহত খাদ্যৰ বাবে হাহাকাৰ কৰি থকাৰ পিচতো চৰকাৰৰ জনপ্ৰতিনিধি বা কোনো দল সংগঠন আগুৱাই অহা নাই। বৰপানী নদীৰ পানী অলপ কমিছে যদিও বৃহত্তৰ কচুৱা অঞ্চলৰ কান্দাপাৰা চানখোলা ৰাঙলু বস্তি উজানমাৰী, পুঠিমাৰী, পমিলা জাৰনী, ৰজাআলি, মাধৱপাৰা, চিতলমাৰী, মিছামাৰী, চেঙাজান, গেৰজাই পাম আৰু শিমলুগুৰিকে আদি কৰি শতাধিক গাঁৱতে বাঢ়িছে পানী ।বহু আশ্ৰয় শিবিৰতো পানী উঠাত সেই বন্যাৰ্ত সকল পুনৰ ওখ ঠাই বিচাৰি হাবাথুৰি খাইছে। যোৱা নিশাৰ পৰা জুৰিৰপাৰ গাওঁ পঞ্চায়ত, শিঙিমাৰী বজাৰ, কচুৱা এম ই, কচুৱা এলপি স্কুল, কচুৱা ছোবাহী মাদ্ৰাছা, কচুৱা পঞ্চায়ত কাৰ্যালয়, আৰু পমিলাৰ বেথাৰাম চেক্ৰেট হাৰ্ট স্কুলত শ শ পৰিয়ালে থিতাপি লৈছে। মানুহৰ খাদ্যৰ নাটনিৰ লগতে পশুধন সমূহ খাদ্যৰ অভাৱত মৰাৰ উপক্ৰম ঘটিছে । সহস্ৰাধিক পৰিয়ালৰ ঘৰৰ মুধচ পানীত ডুব যোৱাত নিজৰ ঘৰখন বিচাৰি নাপাই মূৰে কপালে হাত দিছে বন্যাৰ্তই ।যদি কিবা কাৰণত আৰু তিনিফুট পানী বৃদ্ধি পায় তেতিয়া মৰিশালিৰ বাহিৰে বাকী একো যে পোৱা নাযাব ই খাটাং ।

# বান সাহায্য হিচাপে

বিশেষ তথা ইতিবাচক খবৰ। অসমতো যথেষ্টসংখ্যক আদিবাসী সম্প্ৰদায়ৰ লোক আছে। আদিবাসী তথা জনজাতীয় সম্প্ৰদায়ৰ প্ৰতিনিধি হিচাপে প্ৰথমবাৰৰ বাবে দেশৰ কোনো এগৰাকীয়ে ৰাষ্ট্ৰপতি পদত অধিষ্ঠিত হ'ব। দ্ৰৌপদী মুৰ্মু এগৰাকী শিক্ষয়িত্ৰী আছিল।পৰৱৰ্তী সময়ত মন্ত্ৰী হৈছিল।ৰাজ্যপালো আছিল।মই ভাবোঁ ৰাষ্ট্ৰপতি পদত দ্ৰৌপদী মুৰ্মুৰ আৰোহণ ভাৰতীয় গণতন্ত্ৰৰ ইতিহাসত এক সোণালী ক্ষণ হিচাপে চিহ্নিত হৈ ৰ'ব।

# অসম সন্তান তপন ডেকা

ডেকাই।নাগৰিকত্ব সংশোধনী আইনৰ বিৰুদ্ধে চলি থকা আন্দোলনৰ সময়ত গৃহমন্ত্ৰী অমিত শ্বাহৰ পৰামৰ্শমৰ্মে তেওঁ অসমৰ আইন-শৃংখলা নিয়ন্ত্ৰণত বিশেষ ভূমিকা পালন কৰিছিল। ২০০৮ চনত অসমৰ ধাৰাবাহিক বোমা বিস্ফোৰণৰ তদন্ততো ডেকাই নেতৃত্ব প্ৰদান কৰিছিল। তেওঁ চন্মৰচ চনত বিশেষ সেৱা আগবঢ়োৱা বাবে ৰাষ্ট্ৰপতিৰ পুলিচ মেডেল লাভ কৰিছিল।অহা ১ জুলাইৰ পৰা তেওঁ আই বিৰ সঞ্চালকৰ কাৰ্যভাৰ চম্ভালিব। স্মৰ্তব্য যে ডেকা হ'ল আই বিৰ সঞ্চালক পদত নিযুক্ত প্ৰথমজন অসমীয়া আই পি এছ বিষয়া।




১১ আহাৰ ১৪২৭ চন Rongili Barta, Date of Publication-- 26 June, 2022

# সমাজত নাৰীৰ স্থান

আশাৰাণী বৰুৱা , দেৰগাঁও



আমাৰ দেশ স্বাধীন হোৱাৰ আজি বহু বছৰে হৈ গ'ল। প্ৰাক্ স্বাধীনোত্তৰ কালৰে পৰাই আমাৰ সমাজত নাৰীৰ স্থান সদায় তলত থকা দেখা গৈছিল। এটা সময়ত এগৰাকী নাৰীয়ে জীৱনৰ প্ৰতিটো সময়তে ওৰণি তলত জীৱন কটাবলগীয়া হৈছিল সেয়া উত্তপ্ত গৰম কিম্বা হিম শীতল ঠাণ্ডাই নহওক কিয়। অতীজৰে পৰা দেখা যায় যে এগৰাকী নাৰীয়ে জীৱনৰ প্ৰতিটো সময় নিজৰ মাক দেউতাকৰ কথা বিয়া হোৱা পিছত নিজৰ গিৰিয়েক তথা শাহু, শহুৰৰ কথাত চলিব লগা হৈ আহিছে। কেনেবাকৈ তাৰ বিপৰীতে গ'লে বিভিন্ন ধৰণৰ শাস্তি প্ৰদান কৰা হৈছিল। এটা সময় আছিল নাৰীৰ পাতৰ তলৰ লাও আখ্যা দিয়া হৈছিল যিদৰে লাও গছ জোপা যিমানেই লহ্ পহকৈ বাঢ়ি নাযাওক কিয় পাতৰ তলত লাওৰ স্থান ঠিক তেনেদৰে, নাৰীকো একেই ভাবিছিল যিমানেই নাৰীয়ে শিক্ষা দিক্ষা লৈ আগ নাবাঢ়ক কিয় নাৰী সদায় পুৰুষৰ সমপক্ষ কেতিয়াও নহয়। হয়তো বৰ্তমান সময়ত আধুনিকতাই স্পৰ্শ কৰি যোৱা সমাজত নাৰীকেন্দ্ৰিক সভ্যতা সংস্কৃতিৰ আগবাঢ়ি যোৱাৰ পৰিপ্ৰেক্ষিতত এগৰাকী নাৰীয়ে জন্মৰ পিছৰ পৰাই নিজক অসুৰক্ষিত অনুভৱ কৰি আহিছে। ক'ৰবাত ভয়ৰ সম্মুখীন হৈ আহিছে। সভ্যতা-সংস্কৃতি যিমানেই আগবাঢ়ি গৈছে সিমানেই পিছ পৰি ৰৈছে এচাম মানুহ যি নিজৰ সন্মানৰ কথা চিন্তা কৰি নিমাত হৈ থাকে। আজিৰ দিনত নিমাত হোৱা সময় আছে জানো? ইয়াৰ পৰিপ্ৰেক্ষিতত সমাজত ধৰ্ষণ, ধৰ্ষণ কৰি নৃশংস হত্যালীলাৰ ভেটি গঢ় লৈ উঠিছে। ধৰ্ষণ কি?? ইয়াৰ অৰ্থ কি বুজি নাপাওঁতে এজনী ছোৱালীয়ে ইয়াৰ বলি হ'ব লগীয়া হৈছে। দেউতাকৰ লগত একেলগে কাম কৰা বিষয়া কিম্বা একে লগে কাম কৰা সমবয়সৰ লোকে আহি এজনী ৬-৭ বছৰীয়া ছোৱালীৰ হাতত এটি চকলেট দি ইমান মৰম লগা ছোৱালী বুলি কৈ তাইৰ গোপন স্থান হাত দিয়া তথা ওচৰৰ সম্পৰ্কীয় ব্যক্তিয়ে ছোৱালীজনীৰ বুকুত হাত দিয়া তথা ওঠত চুমা খোৱাৰ কাৰ্য দেখিবলৈ পোৱা যায়। ছোৱালী জনীয়ে যেতিয়া মাক দেউতাকক সেই কথা কয় তেতিয়া মাক-দেউতাকে "হেই মৰমতে ধৰিছে হে বুলি কয়" তেন্তে তাত ভুল কাৰ? মাক দেউতাকে এইবোৰ কথা চকু দিব লাগে সৰুৰে পৰাই। দেউতাকৰ সম বয়সৰ তথা তেনেকুৱা মানসিকতা থকা ব্যক্তিৰ পৰা আঁতৰাই ৰখাটোয়ে শ্ৰেয়। আজি তাই সৰু হৈ আছে এনেকৈ সুবিধা দি গ'লে এদিন কৰিছে বুলি ক'লে ব্যক্তিজনে সুবিধা পোৱা কথা থাকে।

ইয়াৰ পিছত কোৱা হয় নাৰীয়ে চুটি কাপোৰ পিন্ধে কিয়। মান সন্মান নাই নেকি। ল'ৰায়ে সুবিধা পাব। এযোৰ কাপোৰক দোষ দিয়াটো যুক্তি ক'ত? তাই মন গৈছে এটা পাৰ্টীলৈ গৈছে তাই পিন্ধিলেই তাত তাইৰ সুন্দৰতাৰ কথা দুই এজনে লগ হৈ কথা পাতে (মালটো ভাল, আমোক তমোক) এইবোৰ ক'ত যুক্তি থকা কথা। কিয় পাহৰি পেলায় তেওঁলোকে যে সেইগৰাকীও কাৰোবাৰ ভগ্নী, কাৰোবাৰ ছোৱালী, কাৰোবাৰ বাইদেউ আৰু কাৰোবাৰ আপোন গৰাকী ? ল'ৰাই ভালকৈ ইংৰাজী কি শিকিলে মাক দেউতাকে ম'বাইল কিনি দিলে পঢ়া শুনাৰ কথা দুই এটা শিকক বুলি কিন্তু ল'ৰা ব্যস্ত পঢ়া শুনাৰ পৰা বহু যোজন আঁতৰত বেলেগ এখন অচিনাকী পৃথিৱীত । এনেও সকলোৱে অচিনাকী বস্তু এটা নিজেই অনুভৱ (experience) কৰি চোৱাৰ হেঁপাহ জাগে আৰু ল'ৰাই সেই গতিকে নিজৰ ওচৰৰ সম্পৰ্কীয় কাৰোবাৰ লগত এনেকুৱা ভুল কৰ্মত লিপ্ত হৈ পৰিল। এতিয়া কওঁক ভুল কাৰ? নিশ্চয় মাক দেউতাকৰ। সেয়ে সৰুৰে পৰা শিক্ষিত সমাজ ব্যৱস্থাত যৌন শিক্ষাৰ দিশটো আগবঢ়োৱাৰ চেষ্টা কৰিব লাগে প্ৰতিটো শিশুয়ে নিৰ্দিষ্ট বয়সত অনুসন্ধিৎসু মনত যৌন শিক্ষাৰ বিষয়ে ভালকৈ শিকি যাবলৈ দিয়া উচিত। বৰ্তমান সমাজ ব্যৱস্থাত কিতাপত থকা যৌন শিক্ষাৰ অধ্যায় কেইটা শিক্ষকে ঘৰত গৈ পঢ়িবা কোৱাৰ পৰিবৰ্তে কোনো দ্বিধাবোধ নকৰাকৈ ভালকৈ পঢ়োৱাই দি তাৰ অৰ্থ বুজাই দিব লাগে। নাৰীক ফুলৰ লগত তুলনা কৰা হয় আৰু ফুলক সকলোৱে ভাল পাই আৰু ধুনীয়া ফুল পাহক যিদৰে ছিঙি আনি মানুহে সজাবলৈ চেষ্টা কৰে ঠিক সেইদৰে নাৰীকও এচামে কোমলীয়া ফুল পাহৰ দৰে ছিঙি নিজৰ ঘৰত পত্নী কিম্বা কাম কৰা তিৰোতা সজাই। কিন্তু নাৰী গৰাকীৰ সপোন তথা কি বিচাৰে সেয়া কেতিয়াও জানিবলৈ ইচ্ছা নকৰে। কিন্তু ফুলক আচল ভাল পোৱা গৰাকীয়ে যেনেকৈ ফুল পাহ গছত ফুলি ৰওঁতে তাৰ সৌন্দৰ্য অনুভৱ কৰিছে ছিঙি আনিলে যে তাৰ সৌন্দৰ্য বৰঞ্চ কমি যাব তাক বুজি লৈছে মানুহো

( আঠপৃষ্ঠাত চাওক)

# মানৱ জীৱনত সঙ্গীতৰ প্ৰভাৱ

জ্যোতিস্মিতা গোস্বামী শৰ্মা



সৃষ্টিৰ পাতনিৰে পৰা মানৱ জাতিয়ে অন্তৰৰ আবেগ-অনুভূতি, হৰ্ষ- বিষাদ আদি গীত, বাদ্য আৰু নৃত্যৰ মাধ্যমেৰে প্ৰকাশ কৰি আহিছে। গীত, বাদ্য আৰু নৃত্য এই তিনি কলাৰ সমাবেশেই হ'ল সঙ্গীত। এই কলাই আমাৰ সামাজিক আৰু সাংস্কৃতিক জীৱনৰ এক বৃহৎ অংশ অধিকাৰ কৰি আহিছে। গীত শুনি শিশু টোপনি যায়, বৃদ্ধসকলে সুৰ লগাই কীৰ্ত্তন-ভাগৱত পাঠ কৰে, কৃষক মজদুৰ সকলে দিনটোৰ হাড়ভঙা খাটনি লাঘৱ কৰে সুৰ আৰু ছন্দৰ মাজেৰে।

সভ্যতাৰ পোহৰ নোপোৱা অৰণ্যবাসীৰ মাজতেই হওঁক বা আধুনিক সভ্যতাৰ পোহৰ পোৱা দেশবাসীৰ মাজতেই হওঁক পৃথিৱীৰ সকলো দেশৰ সামাজিক উৎসৱ- অনুষ্ঠান, পূজা- পাৰ্বন আদিত গীত, বাদ্য আৰু নৃত্য অপৰিহাৰ্য্য অংগ হিচাপে ব্যৱহৃত হৈ আহিছে।

সঙ্গীতৰ অবিহনে মানৱ সমাজ অসম্পূৰ্ণ, দেৱতা সকলো সঙ্গীতৰ প্ৰভাৱৰ পৰা মুক্ত নাছিল। প্ৰাচীন ভাৰতীয় সমাজৰ মানসিক আৰু আধ্যাত্মিক বিকাশ সাধনত এই কলাই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে।

খাদ্যই যিদৰে মানুহৰ শাৰীৰিক পুষ্টি সাধন কৰে ঠিক সেইদৰে মানসিক পুষ্টি সাধন কৰে সঙ্গীতে। চিন্তা শক্তি আৰু সূক্ষ্ম অনুভূতিসমূহৰ বিকাশ সাধনতো ইয়াৰ যথেষ্ট অৱদান আছে। এই কথা ভাৰতীয় চিন্তাবিদ সকলে বহু বছৰৰ আগতে উপলব্ধি কৰি মত প্ৰকাশ কৰিছে এনেদৰে-

সাহিত্য সঙ্গীত কলাবিহীন ঃ  
সাক্ষাৎপশুঃ পুচ্ছবিষাণহীন ঃ  
তৃণং ন খাদন্নপী জীৱমান ঃ  
তদ্ভাগধেয়ং পৰমং পশুনাম।

অৰ্থাৎ, সাহিত্য, সঙ্গীত আৰু কলাৰ লগত জড়িত নথকা লোক সকল নেজ নথকা আৰু ঘাঁহ নোখোৱা পশুৰ দৰে।

সংগীতে মানুহৰ চিত্ত বিনোদন, চিত্ত শোধন আৰু চিত্ত একত্ৰিকৰণত সহায় কৰে। গীত, বাদ্য আৰু নৃত্য এই তিনি কলাৰ দৰ্শন অথবা শ্ৰৱণ হ'লেই মানুহে মনত তৃপ্তি পায়। ইয়ে হ'ল চিত্তবিনোদন।

এই কলাই মানুহক পৰিচালনা কৰি প্ৰকৃত পথলৈ নিয়াৰ বহুতো দৃষ্টান্ত আছে। "বন্দে মাতৰম", "ৰামধেনু" আদি গীতে ভাৰতৰ স্বাধীনতা সংগ্ৰামত ইন্ধন যোগাইছিল। পৃথিৱীত মানুহ হিচাপে জীয়াই থাকিবলৈ মানুহক লগা সততা, পবিত্ৰতা, সত্য আৰু ন্যায়ৰ বিষয়ে সঙ্গীতে সকীয়াই আহিছে। 'দেহবিচাৰ গীত' সমূহে মানুহৰ কলুষিত মন নিকা কৰে। ইয়াক চিত্তশোধন বোলে।

সঙ্গীতৰ মাধ্যমেৰে পৰমেশ্বৰক লাভ কৰিব পাৰি। পৃথিৱীৰ প্ৰায় ধৰ্মৰ উপাসনা আৰু প্ৰচাৰ কাৰ্য্য সঙ্গীতৰ আলমত চলি আহিছে। মানৱ মন আৰু ঈশ্বৰৰ মাজত থকা ব্যৱধান সঙ্গীতে দুৰ কৰে। এইয়ে হ'ল চিত্ত একত্ৰিকৰণ।

শুদ্ধ আৰু বিকৃত মিলাই মুঠ ১২টা স্বৰৰ আধাৰতে পৃথিৱীৰ সকলো সঙ্গীত প্ৰতিষ্ঠা হৈছে। ই মানৱ

( নপৃষ্ঠাত চাওক)

# বৰ্তমান প্ৰজন্মৰ বাবে মোবাইল ফোন ক্ষতিকাৰক নেকি ?

হিমাদ্ৰী বৰকটকী নগাঁও



বৰ্তমান সময়ত ইণ্টাৰনেট আৰু ছচিয়েল মিডিয়াৰ কথা কবই নালাগে। ই এবিধ অপৰিহাৰ্য্য অংগ হৈ পৰিছে আমাৰ জনজীৱনৰ কাৰনে। কবলৈ গ'লে মোবাইল ফোনৰ ভাল আৰু বেয়া দুয়োটা দিশেই আছে। ইয়াক কেনেকৈ ব্যবহাৰ কৰিছে সেইটোহে প্ৰধান কথা। বৰ্তমান কভিদ পৰিস্থিতিত ল'ৰা ছোৱালীৰ স্কুল, কলেজ, বিশ্ববিদ্যালয় বন্ধ দিয়াৰ কাৰণে অনলাইন ক্লাছৰ জৰিয়তে ল'ৰা ছোৱালীয়ে শিক্ষা গ্ৰহন কৰিব লগা হৈছে। ইয়াৰ জৰিয়তে ল'ৰা ছোৱালীৰ শিক্ষা বৰ্ষ আগুৱাই নিয়াত সহায় হৈছে। পঢ়া সম্পৰ্কীয় বহুতো নজনা কথা গুগল চাৰ্চ কৰি ল'ৰা ছোৱালীয়ে জানিব পৰা গৈছে। ল'ৰা ছোৱালীয়ে আজিকালি দূৰৰ কলেজ, বিশ্ববিদ্যালয়ৰ ফৰ্ম ফিলাপ ঘৰতে বহি কৰিব পৰা হ'ল এই মোবাইল ফোনৰ জৰিয়তে। এইক্ষেত্ৰত মোবাইল ফোন নতুন প্ৰজন্মৰ কাৰনে এক অপৰিহাৰ্য আহিলা। কিন্তু ম'বাইল ফোনৰ ক্ষতিকাৰক নথকা নহয়। ল'ৰা ছোৱালীয়ে মোবাইলত গেম ডাউনলোড কৰি মনে মনে খেলি থকাও দেখিছোঁ। পাপজী এনে এটা গেম যিয়ে বহুতৰ জীৱন ধ্বংসৰ মুখে ঠেলি পঠাইছে। অনবৰতে ম'বাইলটো চাই থকা চকুৰ কাৰণেও অপকাৰী। গতিকে মাক বাপেক হিচাপে আমি ল'ৰা ছোৱালীয়ে বেয়া ভিডিও, বেয়া চিনেমা (পৰ্ণ), গেম আদি যেন চাইছেনে নাই লক্ষ্য কৰা উচিত। সেইবোৰৰ পৰা আমি নতুন প্ৰজন্মক আঁতৰত ৰাখিব পাৰিলেহে সমাজখনত হৈ থকা ব্যভিচাৰ দূৰ হ'ব। কবলৈ গ'লে ম'বাইলৰ ভাল বেয়া দুয়োটা দিশেই আছে। গতিকে ম'বাইলৰ ভালেখিনিক আদৰি বেয়াখিনিক বাদ দিলে আমাৰ নতুন প্ৰজন্মৰ উন্নতি সাধন হ'ব।


জনতাৰ চৰকাৰ
my GOV
मेरी सरकार
সফলতাৰ সোপানেৰে
এবছৰীয়া যাত্ৰা
প্ৰতিশ্ৰুতি এখন নতুন অসম গঢ়াৰ
জনতাৰ সেৱাত নিৰন্তৰ যাত্ৰা আমাৰ
NEW ASSAM
Heralding Peace Fuelling Progress
JANASANYOG-1099/22
Register at
assam.mygov.in
/mygovassam
তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Follow us
/@diprassam
https://dipr.assam.gov.in/

# সুযোগ বিচাৰি

বন্দিতা শৰ্মা কন্দলি,দেৰগাঁও




আজৰি পৰত ৰীণা আৰু লিজাই লুডু খেলে। লিজাই খেলত প্ৰায়েই জিকে! ৰীণাই সেয়ে লিজাক কয় "তোমাৰ ভাগ্য বৰ ভাল, সদায় জিকিয়েই থাকা।" লিজাই মিচিকিয়াই ক'লে, "আচলতে কি জানা, মই সুযোগলৈ বাট চাওঁ আৰু সময়ত গ্ৰহণ কৰোঁ।"

লিজাৰ কথাষাৰ গণিতৰ মাজেৰে জুমি চাওঁচোন বাৰু! আমি দৈনন্দিন জীৱনত বহু ক্ষেত্ৰত সুযোগ আৰু সম্ভাৱিতাৰ ওপৰত নিৰ্ভৰ কৰিব লগা হয়। ধৰা হ'ল আমি বিদ্যালয়লৈ বুলি বাট বুলোতে হঠাতে এজাক বৰষুণ আহিল। এনেতে ছাতি লৈ অহা বন্ধু এজনে ছাতিৰ তলত সোমাবলৈ আৰু একে সময়তে গাড়ীৰে অহা বন্ধু এজনে গাড়ীখন ৰখাই গাড়ীত যাবলৈ মাতিলে। সেই মুহূৰ্তত আমি কি কৰিম বাৰু? ছাতিৰ তলত সোমোৱাত কৈ গাড়ী খনত হে উঠিম গৈ নহয়নে বাৰু!! এই ক্ষেত্ৰত আহি পৰিছে সুযোগ ২ টা। আৰু ঘটনাটোৰ সম্ভাৱিতা ২/২ ১ অৰ্থাৎ ছাতিৰ তলত যোৱা বা গাড়ীত যোৱা, যেই কোনো এটা। দুয়োটা সুযোগ এৰি আমি কেতিয়াও তিতি - তিতি নাযাওঁ! নিশ্চিতভাৱে আমি এটা সুযোগ গ্ৰহণ কৰিম।

সেইদৰে এখন ক্ৰিকেট খেল আৰম্ভ হোৱাৰ আগতে আম্পায়াৰে মুদ্ৰা এটা টছ্ কৰি কোনটো দলে প্ৰথমে বেট ধৰিবলৈ সুযোগ পাব তাক থিৰাং কৰিবলৈ টছ কৰা মুদ্ৰা টোৰ সম্ভাব্য ফল মুণ্ড (H) নে পুচ্চ (T) দলপতি দুজনক ক'বলৈ দিয়া হয় আৰু যি জনৰ কোৱা কথা মিলি যায় তেওঁৰেই প্ৰথম সুযোগ পায়। কিন্তু এই টছ্ কৰা কাৰ্যৰ ফল আমি আগতীয়াকৈ ক'ব নোৱাৰোঁ। আমি ভবাটো নহ'বও পাৰে। মুণ্ড আৰু পুচ্চ পোৱাৰ ফলাফল দুটা। সম্ভাৱিতা পৰিমাণ সমান সমান। অৰ্থাৎ মুণ্ড পোৱাৰ সম্ভাৱিতা ১/২ আৰু পুচ্চ পোৱাৰ সম্ভাৱিতাঞ্চ ১/২ । এই কাৰ্য বাৰে বাৰে সম্পন্ন কৰিব পৰা যায়। সেয়ে এই পৰীক্ষা কাৰ্যক যাদৃচ্ছিক পৰীক্ষা (Random Experiment) বোলা হয়। এই ক্ষেত্ৰত টছৰ সংখ্যা ক্ৰমান্বয়ে বঢ়াই গৈ থাকিলে ফলাফল ৰ পাৰ্থক্য কমি যায়। মুণ্ড আৰু পুচ্চ পোৱাৰ সংখ্যা ওচৰা-ওচৰি হয়। অৰ্থাৎ মুণ্ড আৰু পুচ্চ পোৱাৰ ফল দুটা সমসাম্ভাব্য। লুডুৰ ডাইচৰ ক্ষেত্ৰত পিঠিত যিহেতু ১, ২, ৩, ৪, ৫, ৬ চিহ্নিত কৰা আছে গতিকে ইয়াত ছটা সমভাৱে সংঘটিত হ'ব পৰা ফলাফল আছে। প্ৰতিটো ফলেই একোটা ঘটনাৰ সৃষ্টি কৰে। আকৌ দুটা বা ততোধিক ফল লগহৈয়ো একোটা ঘটনাৰ সৃষ্টি হ'ব পাৰে। যেনে যুগ্ম সংখ্যা ২, ৪, ৬ প্ৰাপ্ত হোৱা ঘটনা আৰু অযুগ্ম সংখ্যা ১, ৩, ৫ ৰে প্ৰাপ্ত হোৱা ফলবোৰে এটা ঘটনাৰ সৃষ্টি কৰে। এতিয়া যুগ্ম আৰু অযুগ্ম প্ৰাপ্ত হোৱা ঘটনাটো ঘটাৰ বাবে সুযোগ ৬, সেয়ে সম্ভাৱিতা হ'ব ৬/৬ ১ অৰ্থাৎ যুগ্ম বা অযুগ্ম যেই কোনো এটা সংখ্যা নিশ্চিতভাৱে পাম। কেৱল যুগ্ম সংখ্যা পোৱাৰ সম্ভাৱিতা হ'ব ৩/৬ (ঘটনাটো সংঘটিত কৰা ফলাফল ৰ সংখ্যা)/(পৰীক্ষা কাৰ্যটোৰ ফলাফল ৰ মুঠ সংখ্যা)।

সুযোগ আৰু সম্ভাৱিতাৰ বাস্তৱ জীৱনৰ লগত ওতঃপ্ৰোত সম্বন্ধ আছে। আমাৰ কৃষকসকলে কৃষি কাৰ্যৰ বাবে উপযুক্ত বতৰ অৰ্থাৎ বৰষুণ আৰম্ভ হোৱাৰ সম্ভাৱিতাৰ ওপৰত নিৰ্ভৰ কৰে। বতৰ বিজ্ঞানীসকলে পূৰ্বৰ তথ্য পৰ্যবেক্ষণ কৰি বতৰৰ আগলি-বতৰা দিয়ে। নিৰ্বাচনৰ বেলিকাও সম্ভাৱিতা ক অগ্ৰাধিকাৰ দি প্ৰাপ্ত তথ্যৰ ভিত্তিত কিছুমান সম্ভাৱনাৰ কথা অনুমান কৰা দেখা যায়। লটাৰীত কোটি পতি হোৱাৰ সম্ভাৱনা কিমান বাৰু? ধৰা হওক তিনিলাখ টিকট বিক্ৰী হ'ল। প্ৰথম পুৰস্কাৰ পাবলৈ মোৰ সম্ভাৱিতা হ'ব তিনিলাখ ভাগৰ এভাগ। অৰ্থাৎ আশা অতি ক্ষীণ! কিনিম নে??

# সমাজত নাৰীৰ স্থান

ঠিক তেনেকুৱাই হোৱা উচিত। উচিত সন্মান সকলোৱে বিচাৰে সেয়া পুৰুষে হওঁক বা মহিলাই। কিছুমানে কয় নাৰী সদাই পুৰুষৰ তলত কিন্তু আজিৰ দিনত কোনো তলত বা ওপৰত নহয় সকলো সমান। নাৰী সুৰক্ষা দিয়াৰ ক্ষেত্ৰত বিদ্যালয়ত কেৰাটে বিদ্যাৰ দৰে শিক্ষা দিয়া উচিত যাতে আজিৰ নাৰীয়ে নিজক নিজে সুৰক্ষা দিব পাৰে। সকলো ঠাইতে সজাগতা সভা তথা বাটৰ নাটক আদিৰ দৰে অনুষ্ঠান আয়োজন কৰি মাক দেউতাকৰৰ লগতে সকলো অনভিজ্ঞ লোকক নাৰী সকলক সন্মান দিয়া তথা যৌন শিক্ষাৰ প্ৰয়োজনীয়তা বুজাবলৈ প্ৰয়াস কৰাব লাগে।।

# সাম্প্ৰতিক সময়ত

বিদ্বেষী লোকে দ্বিতীয় মতটিকেই একমাত্ৰ মত হিচাপে প্ৰতিষ্ঠা কৰিবলৈ গৈ ইছলাম ধৰ্ম, পবিত্ৰ কোৰান আৰু হজৰত মোহাম্মদ ছ্ঃৰ ওপৰত কটু আৰু বিৰূপ মন্তব্য কৰি দেশ তথা বিশ্বত সাম্প্ৰদায়িকতাবাদৰ জৰিয়তে অশান্তি বিয়পোৱাৰ বাবে যত্নপৰ হৈ আহিছে। এয়া নিশ্চয় ভাৰতবৰ্ষ আৰু বিশ্ববাসীৰ বাবে চৰম দুৰ্ভাগ্যজনক কথা।

এনে দুৰ্ভাগ্যজনক সময়ত ভাৰত তথা বিশ্বৰ মুছলমানে আদৰ্শ হিচাপে গ্ৰহণ কৰিব লাগিব বিশ্ব নবী হজৰত মোহাম্মদ ছ্ঃৰ জীৱনাদৰ্শ। তেখেত ছ্ঃৰ জীৱনত বহুবাৰ বদনাম, কুৎসা-ৰতনাৰ বাহিৰেও শত্ৰু পক্ষই চলোৱা আক্ৰমণত তেখেত ছ্ঃ জীৱনলৈ প্ৰাণৰ সংশয়ো নামি আহিছিল। প্ৰথমে তেখেত ছ্ঃৰ ত্বায়িফৰ ঘটনাকে উল্লেখ কৰিব পাৰি। সেই দিনটোত তেখেত ছ্ঃ শাৰীৰিক ভাবে চৰম পৰ্যায়ত নিৰ্যাতিত হৈয়ো ত্বায়িফবাসীৰ বাবে প্ৰতিশোধ ল'বলৈ কোনো কাৰণতেই ইচ্ছা ব্যক্ত নকৰি, অভিশাপ নিদি আল্লাহ পাকৰ ওচৰত ত্বায়িফবাসীক মাফ কৰি দিবলৈ আৰু ইছলাম ধৰ্ম সম্পৰ্কত জ্ঞান দান কৰিবলৈ দোৱা কৰিছিল। দ্বিতীয়তে উহুদৰ যুদ্ধৰ দিনা খন শত্ৰুপক্ষৰ আঘাতত তেখেত ছ্ঃ ৰ পবিত্ৰ দাঁত মোবাৰক শ্বহীদ হৈছিল আৰু মুৰত পিন্ধা লোৰ ঢাল ভাঙি গৈ মুৰত এটুকুৰা লো সোমাই তেজ প্ৰবাহিত হৈছিল। অতিকৈ ধৈৰ্যধাৰণকাৰী আৰু ক্ষমাশীল বিশ্ব নবী ছ্ঃয়ে সেই দিনাও কোনো অভিশাপ দিয়া নাছিল। মক্কা বিজয়ো সম্পন্ন হৈছিল বিনা ৰক্তপাতে। সদায় তেখেত ছ্ঃ অহাযোৱা কৰা বাটত কাঁইট পুতি থোৱা অবস্থা নাপাই সদায় কাঁইট পুতি থোৱা আইতা গৰাকীৰ খবৰ ল'বলৈ গৈ নৰিয়াত পৰি থকা দেখি শুশ্ৰূষা কৰিছিল। এই গৰাকী মহান বিশ্ব নবী হজৰত মোহাম্মদ ছ্ঃৰ জীৱনলৈ দৃষ্টিপাত কৰিলে ধৈৰ্য, দয়া, কৰুণা আৰু ক্ষমাৰে পূৰ্ণ এনে অলেখ দৃষ্টান্ত পোৱা যায়।

ইছলাম ধৰ্মত প্ৰতিবাদৰ স্থান নোহোৱা নহয়, কিন্তু এই প্ৰতিবাদে কেতিয়াও এডাল চুলিৰ পৰিমাণো হিংসাত্মক ৰূপলৈ পৰ্যবসিত হ'ব নোৱাৰে।এয়া বাধ্যতা মূলক বিধান। কোনো প্ৰতিবাদী কাৰ্যসুচীৰ দ্বাৰা মানব সমাজৰ অন্যায় আৰু অপকাৰ হ'ব নোৱাৰিব। বিশ্ব নবী হজৰত মোহাম্মদ ছ্ঃৰ প্ৰতি থকা প্ৰেমৰ প্ৰদৰ্শনৰ দ্বাৰা বিশ্বত কোনো ধৰণৰ হিংসাত্মক ঘটনা সংঘটিত হোৱাটো ইছলাম ধৰ্মৰ প্ৰধান বিৰোধী বিষয় হিচাপে আধাৰিত। তেখেত ছ্ঃৰ প্ৰতি থকা প্ৰেমৰ প্ৰকৃত স্বৰূপ হৈছে তেখেত ছ্ঃৰ জীৱনাদৰ্শক এশ শতাংশ অনুসৰণ আৰু অনুকৰণ কৰি নিজৰ জীৱনক মহীয়ান কৰা কাৰ্য আৰু বিশ্বত শান্তি সম্প্ৰীতি স্থাপন কৰাত ব্ৰতী হোৱা। এই আদৰ্শৰ বাবেই বিশ্ব নবী হজৰত মোহাম্মদ ছ্ঃৰ জীৱন কালত কোনো এখন আক্ৰমণাত্মক যুদ্ধ দেখিবলৈ পোৱা নাযায়। তেখেত ছ্ঃৰ জীৱনত সংঘটিত প্ৰত্যেকখন যুদ্ধই আছিল আত্মৰক্ষামূলক। কাৰণ ইছলাম ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰ ঘটিছিল বিশ্ব নবী হজৰত মোহাম্মদ ছ্ঃ আৰু তেখেত ছ্ঃ ৰ অনুসাৰী চাহাবা সকলৰ ব্যবহাৰ আৰু আচৰণৰ দ্বাৰাহে।

সাম্প্ৰতিক সময়তেই নহয় ভৱিষ্যতেও ইছলাম ধৰ্ম সম্পৰ্কত বিতৰ্ক আহিলেই মুছলমান সকলে তাৰ সমাধানৰ বাবে আদৰ্শ হিচাপে গ্ৰহণ কৰিব লাগিব বিশ্ব নবী হজৰত মোহাম্মদ ছ্ঃৰ জীৱনাদৰ্শ আৰু সেই পথেৰেই আগবাঢ়ি যাব লাগিব। তেতিয়াহে প্ৰকৃত পক্ষে ইছলাম ধৰ্মক আতংক বুলি ধাৰণা কৰা সকলে স্বকীয় দৃষ্টিভংগী সলনি কৰি ইছলাম ধৰ্মক আদৰ্শ বুলি গ্ৰহণ কৰিবলৈ আগবাঢ়ি আহিব।

ইছলাম ধৰ্মৰ সাৰ্বজনীন গ্ৰাহ্যতা অটল অবস্থাত আছে কিন্তু এচাম মুছলমানৰ ইছলাম ধৰ্ম সম্পৰ্কত থকা কাৰ্যকৰী দিশৰ অমান্যতা আৰু জ্ঞানৰ দৈনতা তথা কৰ্মকাণ্ডৰ বাবে বিশ্বত ইছলাম ধৰ্ম সম্পৰ্কত নেতিবাচক ভাবাদৰ্শৰ প্ৰচাৰ হোৱাত সহায়ক হৈছে।

এই ক্ষেত্ৰত বিশ্ব নবী হজৰত মোহাম্মদ ছ্ঃৰ জীৱনাদৰ্শই বিশ্বত বহু প্ৰত্যাশিত শান্তি আৰু সম্প্ৰীতিৰ বাতাবৰণ সৃষ্টি হোৱাত বাৰুকৈয়ে অৰিহণা যোগাব বুলি প্ৰত্যয় সহকাৰে ন দি ক'ব পৰা যায়।

# বেতৰ প্ৰহাৰৰ পৰা ৰক্ষা পাবলৈ

হিন্দীত কৰাতো বাধ্যতামূলক হোৱাৰ কাৰণে আমাৰ হৈ হাৰিয়ানা, ৰাজস্থান, বিহাৰ, উত্তৰ প্ৰদেশৰ সকলে কাম চলাইছিল যাৰ কাৰণে উচ্চপদস্থ বিষয়াই আমাক সমালোচনা কৰিছিল। আমি নীৰৱে সহ্য কৰিব লগা হৈছিল । আমাৰ নতুন প্ৰজন্মৰ বহুতেই হিন্দীতো, বাদেই নিজৰ মাতৃভাষাতোকে আগ্ৰহেৰে পঢ়িবলৈ, ভাষাৰ ওপৰত সাহিত্য চৰ্চা কৰিবলৈ, মূল বিষয় হিচাপে গৱেষণা কৰিবলৈ অনীহা প্ৰকাশ কৰা দেখা যায়। ভাষাৰ ওপৰত জ্ঞানৰ অভাৱ ঘটা পৰিলক্ষিত হৈছে। এয়া বৰ চিন্তনীয়, দুখজনক বিষয়। অশুভ লক্ষণ সচাঁকৈ। শিক্ষাবিদ, দাৰ্শনিক Herbert Spencer এ কৈছিল- "Never educate a child to be a gentleman or lady only, but to be a man, a woman." চিন্তাবিদগৰাকীয়ে অতি শুদ্ধভাৱেই কৈছে যে আমি আমাৰ শিশুসকলক তথাকথিত আধুনিক ভদ্ৰলোক- ভদ্ৰমহিলা কৰিবৰ বাবে শিক্ষা দিয়া উচিত নহয়, আমাৰ শিশুসকলক শিক্ষা দিয়া উচিত মানৱীয় গুণযুক্ত যথাৰ্থ মানুহ হ'বলৈহে। কিন্তু সম্পতি বাস্তৱত আমি দেখিছো কি? বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ আনুষ্ঠানিক শিক্ষাৰে শিক্ষিত হোৱাৰ প্ৰৱণতাই সমাজখনত খোপনি পুতিছে ।ই ভাল কথা আৰু ই শুভ লক্ষণো। কিন্তু উচ্চ শিক্ষাৰে শিক্ষিত সমাজখনত আমি যি দেখিছো, সেই ৰূপটোৱে আমাক আশাবাদী কৰাৰ পৰিৱৰ্তে শংকিতহে কৰিছে দেখোন।

আমাৰ লগৰ সহকৰ্ম্মী সকলে ডাকযোগে বাতৰি কাকত-আলোচনী মগাই আজৰি সময়ত পঢ়ে। মালয়ালম, কানাড়া, তেলেগু মণিপুৰী উৰিয়াসকল ইয়াৰ উদাহৰণ ।কিন্তু আমাৰ বহু শিক্ষকৰ ঘৰতেই বাতৰি কাকত, আলোচনী, গ্ৰন্থ পঢ়াৰ অভ্যাস নাই। মবাইলতে সকলো পাই বুলি যুক্তি দিয়ে। মবাইল, ইন্টাৰনেটে তথ্যহে দিব পাৰে কিন্তুজ্ঞান দিব নোৱাৰে।

জ্ঞান দান যে মহৎ দান এই বিষয়ে স্বামী বিবেকানন্দই কৈছে- "The gift of knowledge is a far higher gift than that of food and clothes, it is even higher than giving life to a man, because the real life of man consists of knowledge . Ignorance is death, knowledge is life ." বিবেকানন্দৰ এই কথাষাৰ আমাৰ শিক্ষক শ্ৰেণীটোৱে গুৰুত্ব সহকাৰে পালন কৰা উচিত। কাৰণ অন্ন- বস্ত্ৰ দানতকৈয়ো জ্ঞানদান সচাঁকৈয়ে শ্ৰেষ্ঠ । আনকি জীৱন দানতকৈ জ্ঞান দান শ্ৰেষ্ঠ। কাৰণ আচল জীৱনৰ পৰিচয় জ্ঞানহে। অজ্ঞতাই মৃত্যু, জ্ঞানেই জীৱন।

# বিজ্ঞান মনস্কতা অন্ধবিশ্বাস আৰু আমি

বৈকুণ্ঠ প্ৰসাদ গোস্বামী



হিন্দুধৰ্ম্ম হ'ল আদি সনাতন ধৰ্ম্ম, এই ধৰ্ম্মৰ কোনো নিৰ্দ্দিষ্ট প্ৰৱৰ্ত্তক নাই। হিন্দুধৰ্ম্মৰ আৰম্ভণিৰ প্ৰকৃত সময় এতিয়ালৈকে নিৰ্দ্ধাৰণ হোৱা নাই। অলপতে লণ্ডনৰ এটা গৱেষণা প্ৰতিষ্ঠানে কৃষ্ণৰ জন্মসময় খৃষ্টপূৰ্ব ৩০০০ বছৰ আৰু ৰামৰ জন্ম সময় খৃষ্টপূৰ্ব ৫০০০ বছৰ বুলি তথ্য সহকাৰে ঘোষণা কৰিছিলে বৰ্তমানেও দ্বাৰকা নগৰৰ অৱস্থিতি আৰু সময়ৰ বিষয়ে গৱেষণা চলি আছে । মুঠতে হিন্দু সভ্যতাৰ আৰম্ভণি এতিয়াৰ পৰা কমেও দহ-বাৰ হাজাৰ বছৰ আগতে হৈছিলে। ৰামায়ণৰ ৰচনা পদ্ধতি, বিবৰণী আৰু গাঠনি আদিৰ পৰা ইয়াৰ ৰচনা সময় প্ৰস্তৰযুগৰ অন্তিম পৰ্য্যায়ৰ বুলি গণ্য কৰিব পাৰি।

হিন্দু এটা ধৰ্ম নহয়, এটা সমাজ ব্যৱস্থা। যিয়ে সমাজক ধৰি ৰাখে সিয়ে ধৰ্ম। হিন্দুৰ প্ৰধান ধৰ্ম চাৰিভাগত বিভক্ত- বৈষ্ণৱ, শৈৱ, শাক্ত আৰু গণপতা। যুগ যুগ ধৰি ঋষিমুণি সকলে আধ্যাত্মিক ভাবে গৱেষণা কৰি সু-শৃংখল সমাজ ব্যৱস্থা, সুদৃঢ় সমাজৰ গাঠনি আৰু সুস্বাস্থ্যৰ বাবে বিভিন্ন বিধান ধাৰ্য্য কৰি থৈ গৈছে। এই বিধানবিলাকৰ ওপৰত প্ৰতিষ্ঠিত হিন্দু সমাজ আজিও দহহাজাৰ বছৰীয়া পৰম্পৰাৰে সময় সাপেক্ষে হবলগীয়া সালসলনিৰে সুদৃঢ় ভাবে চলি আছে। বৰ্তমান গোলকীয় ব্যৱস্থা প্ৰবৰ্তনৰ লগে লগে কিছুমান আন্তৰ্জাতিক চিন্তাধাৰাৰ বুদ্ধিজীবিয়ে হিন্দুসমাজ ব্যৱস্থাৰ ওপৰত প্ৰশ্নউত্থাপন কৰি হিন্দুসমাজ ব্যৱস্থা সোলোকঢোলোক কৰাৰ প্ৰয়াস কৰা দেখা গৈছে।

বিজ্ঞানৰ সীমাবদ্ধতা আছে। বিজ্ঞানে সেই বিলাক বস্তুৰ ওপৰতহে ৰায় দিব পাৰে যিবোৰ বস্তু চুব পাৰি, চাব পাৰি বা অনুভৱ কৰিব পাৰি। বিজ্ঞানমনস্ক মানুহে বিশ্বাস কৰক বা নকৰক, এই পৃথিবীত সমান্তৰাল ভাবে তিনিখন জগত চলি আছে- ভৌতিক (আমি দেখি থকাখন) আধিভৌতিক আৰু আধ্যাত্মিক। আধিভৌতিক আৰু আধ্যাত্মিক জগত দুখন বিজ্ঞানে ঢুকি নাপায়। গুৱাহাটীৰ কলাক্ষেত্ৰত ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি প্ৰয়াত আব্দুল কালাম আজাদৰ সৈতে ছাত্ৰৰ এটা প্ৰশ্নোত্তৰ শিতানত এজন ছাত্ৰই তেওঁক প্ৰশ্ন কৰিলে যে বিজ্ঞান আৰু আধ্যাত্মিকতাৰ মাজত পাৰ্থক্য কি? উত্তৰত ড° কালামে কৈছিলে যে পৃথিবীৰ বিখ্যাত বৈজ্ঞানিক ভাৱাই আল্পছ পৰ্ব্বতত খুন্দামৰাৰ আগলৈকে জনা নাছিলে যে তেওঁৰ মৃত্যু হব, কিন্তু শঙ্কৰদেৱে দুমাহ আগতে ভকতসকলক মাতি আনি কৈছিলে যে "ভকতসকল মোৰ যাবৰ হ'ল, তোমালোকক কি লাগে সুধি লোৱা" এইটোৱে বিজ্ঞান আৰু আধ্যাত্মিকতাৰ মাজত পাৰ্থক্য ।

হিন্দুধৰ্মৰ প্ৰত্যেকটো নিয়মৰ মাজত সু-স্বাস্থ্য, সু-শৃঙ্খলিত সমাজ আৰু সু-পৰিবেশৰ বিষয় জড়িত হৈ আছে। ঋষিমুণিসকলে বহুত গৱেষণাৰ অন্তত একোটা নিয়মৰ প্ৰবৰ্তন কৰিছিলে যি বিলাক সু-স্বাস্থ্য তথা সুস্থ সামাজিক পৰিস্থিতিৰ বাবে প্ৰয়োজনীয়। সাধাৰণ মানুহক এইটো নকৰিবা বুলি কলে দহটা প্ৰশ্নউত্থাপন কৰিব বা কিছুমান মানুহে বুজিয়েই নাপাব বাবে কৰিব নাপায় বুলি কৈ থৈছে। বৰ্তমান শুচি আৰু অশুচিৰ ওপৰত বাতৰিকাকতত বিভিন্ন আলোচনা চলি আছে। শুচি বা অশুচি শাৰিৰীক বা মানসিক হব পাৰে। কিবা এটা কাম কৰি মনটোত অশান্তি লাগি থাকিলে সি মানসিক অশুচি হ'ল আৰু কোনো অস্বাস্থ্যকৰ পৰিবেশৰ সংস্পৰ্শলৈ আহিলে শাৰিৰীক অশুচি হয়। এই অশুচি মনত ভাবিলে মনটো অশান্তি হয়, তেতিয়া আমাৰ দি থোৱা বিধান বিলাক মানিলে মনটো ফৰকাল হয় আৰু মানসিক অশুচিৰ অন্ত পৰে।

বৰ্তমান সঘনে আলোচনা হোৱা আন এটা বিষয় হ'ল ভাৰতীয় তন্ত্ৰ-মন্ত্ৰ । বিজ্ঞান মনস্ক মানুহৰ বাবে তন্ত্ৰ-মন্ত্ৰ আদি অন্ধবিশ্বাসৰ বাহিৰে একো নহয়। হিন্দুসমাজৰ তন্ত্ৰ-মন্ত্ৰ হ'ল শব্দব্ৰহ্মৰ প্ৰয়োগ। তন্ত্ৰ-মন্ত্ৰ হ'ল শব্দব্ৰহ্ম আৰু সাধনাৰ সংমিশ্ৰণৰ ফল। শব্দব্ৰহ্ম এনে এটা শক্তি যে ই এজন সুস্থ মানুহকো বেমাৰী আৰু এক বেমাৰী মানুহকো সুস্থ কৰি দিব পাৰে। কোনোৱে কটু কথা কলে আমাৰ মনটো বেয়া লাগি থকে আৰু ভাল কথা কলে বা প্ৰশংসা কৰিলে মনটো ভাল লাগি যায়। ইশব্দব্ৰহ্মৰ ফল। পূজাৰ বা বিভিন্ন কাৰ্য্যৰ মন্ত্ৰসমূহ এনে কিছুমান শব্দগাঠনিৰে সৃষ্টি কৰিছে যে সাধনা থকা বা প্ৰকৃত আচাৰ ব্যৱহাৰ পালন কৰা লোকে শুদ্ধ উচ্ছাৰণৰে প্ৰয়োগ কৰিলে যোগাত্মক ফল দিবই। বৰ্তমান মন্ত্ৰবিলাকৰ ছপাপুথি ওলাইছে, কিন্তু প্ৰকৃত আচাৰ-ব্যৱহাৰ আৰু সাধনা নথকা মানুহে সেইবোৰ এশবাৰ গালেও কোনো কাম নিদিয়ে। এইবোৰ গুৰু ধৰা বিদ্যা বুলি কোৱা হয়।

বৰ্তমান বিজ্ঞানৰ যুগত মানৱ সৃষ্ট যান সমূহৰ গতিবেগ জোখা হয় আলোকবৰ্ষ হিছাবত । মানে এটা আলোককণা এবছৰত কিমানদূৰ যাবপাৰে ইয়াৰ এটা সীমবদ্ধতা আছে। বৈদিকযুগৰ ঋষিমুনি সকলে সাধনাৰ যোগেদি ভ্ৰমণ কৰিছিলে মানসিক গতিত, যাৰ কোনো সীমাবদ্ধতা নাই। বিজ্ঞানে এই অনন্ত কোটী ব্ৰহ্মাণ্ডৰ আবিস্কাৰ কৰে মানে হয়তো পৃথিবীৰ পৰা মানৱ সভ্যতা শেষেই হ'ব । কিন্তু বৈদিক যুগত ঋষিমুনি সকলে সাধনাৰ যোগেদি মানসিক গতিত গোটেই বিশ্বব্ৰহ্মাণ্ড ভ্ৰমণ কৰি তাৰ বিষয়ে বিবৰণ দি গৈছে । বৰ্তমানৰ বিজ্ঞান মনস্কমানুহে এই বিলাক এক ভ্ৰান্ত ধাৰণা তথা কাল্পনিক কাহিনী বুলি উৰুৱাই দিব । এনে বিস্তৃত বিবৰণ তেওঁলোকে ক'ত পালে? বিপ্ৰপুত্ৰ অনাৰ সময়ত শ্ৰীকৃষ্ণ আৰু অৰ্জ্জুনৰ নাৰায়ণ থকা গ্ৰহলৈ কৰা যাত্ৰাৰ বৰ্ণনা ড° শঙ্খ বৰুৱাই 'আমাৰ অসম' কাকতত বৈজ্ঞানিক দৃষ্টিভঙ্গিৰে সুন্দৰ ভাবে বৰ্ণনা কৰিছিলে। পুথিত থকা বৰ্ণনা বিলাক বৰ্ত্তমান মহাকাশচাৰীয়ে দিয়া বৰ্ণনাৰ লগত মিলি যায়। ব্ৰহ্মালোক (ব্ৰহ্মা থকা গ্ৰহ) পৃথিবীতকৈ বহুগুণে ডাঙৰ হব যত এদিন হ'লে পৃথিবীত বহুবছৰ পাৰ হৈ যায়। দ্বাপৰ যুগৰ শেষলৈকে ভাৰতৰ বহিৰ্জগতৰ লগত সম্পূৰ্ণভাবে যোগাযোগ আছিলে আৰু তেতিয়ালৈকে ধৰ্ম্ম আদি সম্পূৰ্ণ বৈজ্ঞানিক দৃষ্টিভঙ্গিৰে পালন কৰা হৈছিলে। কিন্তু শ্ৰীকৃষ্ণৰ বৈকুণ্ঠপ্ৰয়াণৰ পিছতে ভাৰতত অন্ধকাৰ যুগ আৰম্ভ হ'ল বহিবিশ্বৰ লগত যোগাযোগ সম্পূৰ্ণভাবে বিচ্ছিন্ন হৈ গ'ল। মানুহে ধৰ্ম্ম কৰি খাবলৈ ললে আৰু ধৰ্ম এটা ব্যৱসায়িক কৰ্মলৈ পৰ্যৱসিত হ'ল। শাসক আৰু উচ্চবৰ্ণৰ মানুহে ধৰ্ম্মক এটা শোষনৰ আহিলা হিছাবে ব্যৱহাৰ কৰিবলৈ ললে।

এই আপাহতে ভাৰতীয় জ্যোতিষ শাস্ত্ৰ সম্পৰ্কে বৰ্তমান হৈ থকা বাদানুবাদ আৰু বিজ্ঞান মনস্ক মানুহবিলাকে জ্যোতিষশাস্ত্ৰক নস্যাৎ কৰিবলৈ কৰা প্ৰচেষ্টাৰ বিষয়ে আলোচনা কৰাৰ থল আছে । বৰ্তমান পাশ্চ্যাতৰ সভ্যতাৰ পোহৰ পোৱা লোকসকলে ভাৰতীয় জ্যোতিষশাস্ত্ৰক ভুল বুলি কবলৈ চেষ্টা কৰে, কাৰণ তেওঁলোকৰ মতে চন্দ্ৰ এটা উপগ্ৰহ আৰু ৰাহু কেতু ছায়াৰ বাহিৰে গ্ৰহ নহয়। গ্ৰহ, উপগ্ৰহ, নক্ষত্ৰ আদিৰ ধাৰণা ভাৰতীয় জ্যোতিষ শাস্ত্ৰৰ বয়সৰ তুলনাত একেবাৰে নতুন। ভাৰতীয় জ্যোতিষ শাস্ত্ৰত ব্যৱহাৰ হোৱা গ্ৰহবিলাক হ'ল পৃথিবীৰ ওছৰে পাজৰে থকা বিভিন্ন মহাজাগতিক বস্তু যিবিলাকৰ প্ৰভাৱ পৃথিবীৰ ওপৰত পোনপটীয়াকৈ পৰে আৰু মানুহৰ বিভিন্ন কাম-কাজত প্ৰত্যক্ষ ভাবে প্ৰভাৱ বিস্তাৰ কৰে। আমি সাগৰৰ পাৰত থিয় হলে পূৰ্ণিমা বা অমাবস্যাত সাগৰৰ জলপৃষ্ঠ কেনেকৈ ওফন্দি উঠে দেখিবলৈ পাওঁ । সেইদৰে চন্দ্ৰগ্ৰহণ বা সূৰ্য্যগ্ৰহণৰো পৃথিবীৰ ওপৰত প্ৰভাৱ প্ৰত্যক্ষ ভাবে পৰে। মানুহৰ দেহৰ ভিতৰত এখন তেজৰ নৈ অনবৰতে বৈ আছে আৰু মস্তিকক আৰম্ভ কৰি বিভিন্ন অঙ্গ-প্ৰত্যঙ্গ বিলাকে চব্বিশ ঘণ্টাই (নিদ্ৰাবস্থাতো) কাম কৰি থাকে । যি বিলাক মহাজাগতিক বস্তুৰ প্ৰভাৱ এই বিলাকৰ ওপৰত পৰি মানুহৰ দেহৰ বা মনৰ বিভিন্ন দিশত ক্ষতি কৰিব পাৰে হিন্দু জ্যোতিষত তাকে গ্ৰহ বুলি কোৱা হয় । গতিকে সূক্ষ্মভাবে অধ্যয়ন কৰা জ্যোতিষে এজন মানুহৰ ভূত-ভৱিষ্যতৰ সকলো কথা নিৰ্ভুল ভাবে কব পাৰে।

যিহেতু বিজ্ঞানৰ সীমাবদ্ধতা আছে গতিকে সকলো ধাৰণা বা বস্তুকে বিজ্ঞানসন্মত নহয় বুলিকৈ উৰুৱাই দিয়াটো জ্ঞানৰ সীমাবদ্ধতাৰ পৰিচায়ক বুলি ভাবো।

# মানৱ জীৱনত সঙ্গীতৰ প্ৰভাৱ

সমাজৰ আন্তঃৰাষ্ট্ৰীয় ভাষা। মানুহৰ উৰণীয়া মনক নিয়ন্ত্ৰণ কৰিবলৈ সংগীত এটি শ্ৰেষ্ঠ মাধ্যম। ঈশ্বৰ উপাসনা সুখ-দুখ, যুদ্ধ-বিগ্ৰহ আদি সকলো পৰিৱেশতে সঙ্গীতৰ প্ৰচলন আছে। এই কলাই মানুহৰ মন পৰিচালনা কৰি জীৱন যুদ্ধত আগুৱাই যাবলৈ শক্তি প্ৰদান কৰে। সেয়ে সঙ্গীত বৃক্ষৰ 'ছাঁ'ত জন্ম আৰু মৃত্যুৰ মাজভাগৰ সকলো ক্ষণতে শান্তি লাভ কৰিব পাৰি। মানুহৰ বিভিন্ন ৰোগ নিৰাময়ৰ ক্ষেত্ৰতো সঙ্গীতে সহায় কৰে। ইয়াক মিউজিক থেৰাপি বোলা হয়। জাৰ্মানীৰ বন আৰু কলন বিশ্ববিদ্যালয়ৰ প্ৰাক্তন অধ্যাপিকা ড° তৃণা পুৰোহিত ৰয়ে তেওঁৰ একমাত্ৰ পুত্ৰক সঙ্গীতৰ মাধ্যমেৰে সুস্থ কৰি তুলিছিল। পশ্চিমবংগৰ শ্ৰীৰামপুৰ কলেজৰ অধ্যাপক ড° মানস চেৰ্টাজীৰ মতে ৰাগ সঙ্গীতে দীৰ্ঘদিন ধৰি ভুগি থকা ৰোগ নিৰাময় কৰিব পাৰে। ড° চেৰ্টাজীয়ে কলিকতা বিশ্ববিদ্যালয়ৰ ছাইক'ফিজিঅ'লজিষ্ট ড° এ.কে. মাইতিৰ লগত ১০ বছৰ ধৰি এই বিষয়ত গৱেষণা চলাইছিল। তেওঁৰ মতে "সিয়া কি মল্লাৰ", আৰু "দৰবাৰী কানাড়া" নামৰ ৰাগে দীৰ্ঘ দিন ধৰি ভুগি থকা এজমা ৰোগ, ৰাগ 'ভৈৰবী'য়ে ছাইনাছ; ৰাগ 'তৌড়ী' বা 'পূৰ্ব্বী'য়ে মূৰৰ বিষ আৰু মানসিক দুঃচিন্তা, ৰাগ 'কাফী' আৰু 'খাম্বাজে' নিদ্ৰাহীনত দুৰ কৰে।

প্ৰাচীন শাস্ত্ৰকাৰ সকলৰ মতে, "নহি সঙ্গীতাত পৰা বিদ্যা", অৰ্থাৎ সঙ্গীততকৈ শ্ৰেষ্ঠ বিদ্যা আন একো নাই। ই এক স্বৰ্গীয় সম্পদ। কালজয়ী সঙ্গীত কলা মানৱ কল্যাণৰ এটি জাগ্ৰত শক্তি।

# ৰঙৰ যুঁজ


অংগৰীকা সভাপণ্ডিত



মোৰ মনত এটি কল্পনাই ঘৰ
কৰিছে,
সেই কল্পনাত উটি অহা
ছবিটিয়ে মোৰ হৃদয়খনক
বৰকৈ খামুচি ধৰিছে,
এইয়া, ৰঙৰ কাহিনী ।
ৰঙে হাট পাতিছে বুলি,
গুণাগথা শুনিছোঁ! অলপ
গভীৰ।
চাৱনিতে জুখি পাওঁ সিহঁতৰ
তৰ্জুখনৰ
বিলাইৰ ভৰা হেনো বেছি।
সাতোৰঙীয়া বেঘনীসেহাসুৰ
জনে
লাৱণ্য চাদৰখনক নিজৰ
বৰণলগা খনিকৰৰ
লেখনিখনে সজাই তুলিছে।
কিন্তু ৰঙৰ এক প্ৰশ্ন?
এতিয়াও হেনো আছে!
কৃষ্ণবৰ্ণ আৰু দুথমণি মাজত
বিতৰ্ক!!
চিনাকি দিছো আহা, বৈকুণ্ঠ
মেলাখনৰ, ,
দোকমোকালিৰ সেন্দুৰীয়া
ছবিখনে
আবিৰ সানিছে,
কিন্তু হিয়াভৰা সমন্বয় পথৰ
মতলীয়া হৈ থকা ৰঙবোৰে,
আজি কাজল সানিছে।
তাকে দেখি চাৰিওফালে কলা
মেঘৰ
মৃদং বাজিছে।
ৰঙবোৰৰ দুখৰ চকুলোৰে,
পৃথিৱীলৈ পৰিচয় বিচাৰি
নিজৰ সাতুৰঙী ছাতি
মেলিছে।
নিষ্ঠুৰ হৈ পৰিছে এই জীৱন,
য'ত গৰাকীজনৰ সৃষ্টি
ওপৰত প্ৰশ্ন উঠিছে।
হোমৰ গুৰিত বহি থকা
পাৰ্বতীক,
ৰংচঙীয়া বিয়াঘৰে মুহি
তুলিছে,
যদিও মহাদেৱৰ আগমনত
তেওঁ বস্ত্ৰ আৰু
তেওঁৰ লগত অহা মিত্ৰ আৰু
উপদেৱতাক দেখি
সকলোৱে উপলঙা কৰিছে।
ৰাধাৰ গাখীৰৰ দৰে সৌন্দৰ্য
কথা,
দূৰদূৰণিলৈ বিয়পি পৰিছে।
যদিও আমাৰ পিতাম্বৰে
নিশাৰ বৰণক অবৰি
ষোড়শ গোপীক মুহিছে।
ৰং! ৰঙ এটি পৱিত্ৰ মায়া, কি
ভাল কি বেয়া
সকলো চিন্তাৰ ধাৰা।
আকুৱালি লোৱা এ ৰঙক
সদায় কাষতে পাবা যেন
তোমাৰ ছায়া।

# এৰাতিৰ যন্ত্ৰণা

পুলিন ডেকা



তোমাৰ বৈভৱ সুৰভিত এৰাপাতৰ স্মৃতি
সেইবোৰ তন্ময়তা নে গোপন মন্ত্ৰণা
প্ৰতিবিম্বিত ছাঁত মৰুৱা ফুলৰ ৰেঙনি
এঙামুৰিত সৰি পৰে মোৰ নিদ্ৰা সুখ
এৰাতিৰ যন্ত্ৰণা
উত্তাল যৌৱনত নাচি থাকে মোৰ
আজন্ম গ্ৰীষ্ম, উন্মাদ সপোনৰ সীৱলু
বিষণ্ণ প্ৰহৰত বাঢ়ি আহে তোমাৰ উপকূল
জীয়া কাহিনীৰ ভস্মীভূত পোহৰ
আৰু এটা নৱকংকাল
তোমাৰ বৈভৱত মই এৰাবাটৰ সুৰ
ভটিয়নী সোঁতত তলমল্ কৰা আঙুলি
ক'লাবৰণীয়া শিল চটাত এতিয়াও
উৎপীড়িত হওঁ অজস্ৰ হাতুৰীৰ নৃত্যত।

## কবিতাৰ শিতান

# ছন্দ পতনৰ ছন্দ

পবিত্ৰ কুমাৰ শৰ্মা



দহত অফিচ, পাচত ঘৰ
নহ'লে বন্ধ, নহয় লৰ ।
মোৰ ৩৫ বছৰীয়া চাকৰিৰ ছন্দ
আছিল
মোৰ দেহত, মোৰ মনত,
মোৰ চিন্তাত, মোৰ কামত।
ছন্দ হেৰাল ৩১-৮-২০১৩ ত
খহি পৰিল ৩১ টা বছৰৰ স্তুপ
মাত্ৰ এদিনতে,
নিচাগ্ৰস্ত সুৰাপায়ীৰ নিচা শেষ
হ'ল।
মোৰ শোৱনি কোঠাৰ
ঘড়ীটোৱে আজি
কবলৈ এৰিলে,
দহ বাজিবলৈ দহ মিনিট বাকী,
ঘৰৰ ঘৈণীয়ে কবলৈ এৰিলে -
আহোতে যদি নানে পাচলি
খাবলৈ নাই ৰাতি।
কোনেও আজি নোসোধে
মোক-
অফিচৰ পৰা ঘৰলৈ আহোঁতে
কিয় ইমান দেৰি ?
পানীৰ মৰমত জিঞ্জাঁই
ঘূৰি ঘূৰি চায়,
পানীলৈ পুনঃ উভতি নাযায় ।
মোৰ নষ্টালজিক মনক
কেনেকৈ বুজাম মই -
'অতীত মৰিল গ'ল,
তাৰ কথা অন্ত হ'ল,
মনৰ পৰাই তাক
দিয়া বিসৰ্জন ।'
এই যে মোৰ ছন্দময়ী
হিচাপটো-
পইচা ৰুমাল কলম ফণী,
চছমা ঘড়ী মোবাইল পানী ।
পাবগৈ নে কাহানিবা আকৌ
অফিচৰ কোঠালি ?
অতীত মৰিলেও প্ৰেতাত্মা হৈ
ঘূৰি আহে অতীত ।
ছন্দ পতনত জাগি উঠে
ছন্দ আকৌ -
অতীত ছন্দ মোৰ
মৃত্যু নাই তাৰ
কিন্তু শুই থাকে নিঃশব্দে,
স্মৃতিৰ তন্ত্ৰীত বাজে
যেতিয়া সুৰ তাৰ
জাগি উঠে একে জাপে ।

# বানপানী

-অৰুণা গোস্বামী, তিতাবৰ



কঠীয়াবোৰ,
স্কুল-কলেজ, ঘৰ-দুৱাৰ, দোকান
বজাৰ
নিঃশেষ হৈ যায় পলকতে ।
মানুহ আৰু জীৱ-জন্তুৱে আশ্ৰয়
লয়
কোনোবা ওখ ঠাইত,
এমুঠি অন্ন, বস্ত্ৰ, খোৱাপানীৰ
বাবে
বাট চাই থাকে তেওঁলোকে
কি যে হৃদয়বিদাৰক দৃশ্য!
সমাধান নাই নে ইয়াৰ ?
মন মোৰ কৰে হাহাকাৰ।
চৌদিশে বানপানী
বন্যাৰ্তৰ হিয়াভগা কান্দোন
আৰু মৃত্যুৰ বিভীষিকা,
জপিয়াই ফুৰা শিশুজাক
থমকি ৰয়,
স্তব্ধ হয় জনজীৱন ।
উটুৱাই লৈ যায় আশাৰ

# তুমি আছা বাবেই মোৰ ধৰণীত বৃষ্টিপাত নামে...

নন্দেশ্বৰ মিলি



তুমি আছা বাবেই মোৰ ধৰণীত বৃষ্টিপাত নামে
টুপ টুপ কণিকাৰ শব্দত কেঁচা সপোন ভাঙে
এজাক শীতলতা বগাই আহে
কঁপি উঠে মোৰ দেহৰ ৰন্ধ্ৰে ৰন্ধ্ৰে..
অজান আবেগত ধপধপনি বাঢ়ে
বুকু ভেদি এটি উশাহ উজাই আহে
প্ৰাচীৰ ভাঙি ৰু'ব খোজে
এটি হেঁপাহৰ সেউজী আশা
তুমি আছা বাবেই মোৰ হৃদয়ত
সুৰীয়া বাজনাৰ ঐক্যতান বাজে
সংগোপনে .

# NATURE

Arpita Gogoi Class- 6



I love to wake up
in the early morning,
When the birds sing
Along with me.
I love to see the
Beautiful nature,
Early in the morning
When the sun rises.
Nature, nature, nature,
You're so beautiful,
With beautiful trees, sun,
Water and with other things.
I love the nature,
Early in the morning.

# ENGLISH NEWS SECTION

## SITA signs Memorandum of Agreement (MoA) with GMCH "Survey of Post Covid Impact"



Guwahati, RB News: Today SITA have signed Memorandum of Agreement (MoA) with Gauhati Medical College & Hospital (GMCH), Guwahati to execute the project " Survey of Post-covid Impact" in collaboration with State Innovation and Transformation Aayog (SITA), Assam with respective terms and conditions. On behalf of SITA, Chief Executive Officer Sri M.S.Manivannan, IAS signed the MoA and by Prof. (Dr.) Achyut Ch. Baishya, Principal-cum-Chief Superintendent, GMCH, Guwahati on behalf of Gauhati Medical College & Hospital, Guwahati in the presence of Hon'ble Vice-Chairman Sri Ramen Deka and officials of SITA in the office chamber of the Vice-Chairman at Block A, Janata Bhawan, Dispur. Hon'ble Vice-Chairman Ramen Deka hopes that the projects will be successful in understanding COVID-19 related distress and psychiatric disorders developed by some patients infected with the virus. This project is aiming to (i) assess the prevalence of post-COVID-19 syndromes, (ii) assess the functional status, (iii) assess the stress level and (iv) assess the psychiatric morbidity. The ceremony was attended by Prof. (Dr.) Deepanjali Medhi, Professor & Head of Department of Psychiatry, G.G Das, Advisor(F & A), D.S Hazari, ARO, Dipankar Bora, LO and other officials of SITA.

## Justice Rashmin Manharbhai Chhaya sworn in as the Chief Justice of Gauhati High Court



Guwahati, RB News: Justice Rashmin Manharbhai Chhaya was sworn in as the Chief Justice of Gauhati High Court. Assam Governor Prof.Jagdish Mukhi administered him the oath of office at a solemn function in presence of the Chief Minister Dr.Himanta Biswa Sarma held at Durbar Hall in Raj Bhavan. The swearing-in ceremony was attended by Speaker Assam Legislative Assembly Biswajit Daimary, Acting Chief Justice of Gauhati High Court Mr.Justice N.Kotiswar Singh, Advocate General Assam Devajit Saikia, Judges of Gauhati High Court, members from legal fraternity, Chief Secretary, Govt.of Assam Jishnu Barua, DGP Bhaskar Jyoti Mahanta and other senior officials of the state govt.

## Governor attends oath taking of the elected members of the KAAC



Guwahati, RB News: Assam Governor Prof. Jagdish Mukhi in the presence of the Chief Minister Dr.Himanta Biswa Sarma attended the oath-taking ceremony of the elected members of Karbi Anglong Autonomous Council (KAAC) at a function held at Taralangshu in Diphu . It may be noted that after registering landslide victory in the recently concluded elections to the Council, the members were sworn. The Governor extended congratulations to each member of KAAC and said that he is confident that they will devote themselves to uphold the democracy and overall development of the people of the region.

## Assam holds 1st stakeholders consultation workshop to promote agroforestry in the state



Guwahati, RB News: A stakeholders' consultation for Agroforestry promotion in Assam was held at the Assam Administrative Staff College, Guwahati today with the objective to understand the needs and challenges in the promotion of agroforestry in Assam and to facilitate the exchange of knowledge and best practices in the sector. Minister for Environment and Forest etc., Chandra Mohan Patowary attended the inaugural session of the state's first-of-its-kind multi-stakeholder consultation workshop on Agroforestry in Guwahati. In his key note address, Minister Patowary stressed on preparing a proper roadmap for promotion of agroforestry in Assam. He also urged representatives from industrial sector to come up with agroforestry based plans so that forest fringe communities and farmers can also be benefitted. He assured that the government will make necessary policy changes wherever needed to ensure benefit of all the stakeholders. The minister asked the forest department to do research work in coordination with Assam Agricultural University to address issues like ecological imbalance, climate change etc. as well as to resolve human- animal conflict in the State. The minister also inaugurated a flyer on the agroforestry promotion in Assam in the programme. Additional Principal Chief Conservator of Forest and Project Director, Assam Project on Forest and Biodversity Conservation Society, KSPV Pavan Kumar delivered the welcome address in the inaugural session. The Additional Chief Secretary, Department of Environment and Forest, Ravi Shankar Prasad in his speech said that the government has prioritized agroforestry as one of the key activities in the state and hoped that the workshop would be able to draw some kind of roadmap to meet the challenges and issues in this sector. The one day consultation workshop was organized by the Assam Agroforestry Development Board in collaboration with the Assam Project on Forest and Biodiversity Conservation (APFBC). APFBC, is a statewide conservation initiative between the state government and 'Agence Française de Développement' (AFD), focuses on promoting alternative livelihoods through initiatives such as 'Agroforestry'. The consultation workshop brought together key stakeholders of the agroforestry sector, such as the government, representatives from industrial sector, forest-fringe villagers, joint forest management committees and research institutions, and it facilitated the exchange of knowledge and best practices. Women representatives from local forest management committees also participated in good numbers. Several technical sessions were held as part of the consultation workshop .

## Beauty of the Week



Angarika Savapandit

## Photography of the Week




Achyut Kondoli

Beauty of the Week  Art of the Week
আৰু · Photography of the Week লৈ
আপোনালোকৰ ফটোবোৰ আমালৈ E-mail যোগে প্ৰেৰণ কৰক
E-mail-
rongilibartamedhi@gmail.com
Whatsapp - 9854215286




## Art of the Week



Ajay Rajbonshi

ৰঙিলী বাৰ্ত্তা কৰ্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286